A.C.C. No. 5842
Class 398
Book No. DEK

# সৰ্থেবাৰী অঞ্চলৰ লোক-সাংস্কৃতিক অধ্যয়ন

## (কাঁহ শিল্পৰ বিশেষ উল্লিখন সহ)

(বিশ্ববিদ্যালয় অনুদান আয়োগৰ দ্বাৰা অনুমোদিত ক্ষুদ্ৰ গৱেষণা প্ৰকল্প)

SUREN DAS COLLEGE LIBRARY
Date 22/8/02
HAJO

গীতা ডেকা
জ্যেষ্ঠ প্ৰবক্তা, অসমীয়া বিভাগ
সুৰেণ দাস মহাবিদ্যালয়, হাজো

2002

# বিষয় সূচী


| | | | |
|---|---|---|---|
| | আগ কথা | —— | ক |
| প্ৰথম খণ্ড ঃ | সৰ্থেবাৰী অঞ্চলৰ লোক-সাংস্কৃতিক অধ্যয়ন ঃ বিষয়ৰ উদ্দেশ্য আৰু সমল | —— | ১ - ৬ |
| দ্বিতীয় খণ্ড ঃ | সৰ্থেবাৰী অঞ্চলৰ লোক-সাংস্কৃতিক জীৱন | —— | ৭ - ১৭ |
| তৃতীয় খণ্ড ঃ | সৰ্থেবাৰী অঞ্চলৰ ভৌতিক সংস্কৃতি ঃ কাঁহ শিল্প | — | ১৮ - ৩১ |
| চতুৰ্থ খণ্ড ঃ | সৰ্থেবাৰী অঞ্চলৰ লোক-সাহিত্য | —— | ৩২ - ৪৮ |
| পঞ্চম খণ্ড ঃ | মোখনি | —— | ৪৯ - ৫০ |
| | গ্ৰন্থ পঞ্জী | —— | ৫১ - ৫৩ |
| | সংবাদদাতা | —— | ৫৪ |

# আগকথা

অঞ্চল বিশেষৰ বৈশিষ্ট্যপূৰ্ণ সংস্কৃতিয়ে বৃহত্তৰ অসমীয়া সংস্কৃতি গঠনত যথেষ্ট অৰিহণা যোগায়। এই ক্ষেত্ৰত গুৱাহাটীৰ প্ৰায় ৯০ কিলোমিটাৰ পশ্চিমে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত অৱস্থিত সৰ্থেবাৰী গাঁওখনক কেন্দ্ৰ কৰি গোটেই অঞ্চলটোত ধৰ্ম, সমাজ, সংস্কৃতিৰ ক্ষেত্ৰতো স্বকীয় বৈশিষ্ট্য দেখা যায়। এই বিষয়ত এতিয়ালৈকে বিশেষ বিশেষ বিষয়ৰ ওপৰত দুই এটা প্ৰৱন্ধৰ বাহিৰে প্ৰণালীবদ্ধ চিন্তাচৰ্চা পৰিলক্ষিত হোৱা নাই। সেয়েহে অঞ্চলটোৰ সামাজিক-সাংস্কৃতিক জীৱনধাৰাক এক সুসংবদ্ধ ৰূপত উপস্থাপন কৰাৰো প্ৰয়োজনীয়তা অনুভৱ কৰা যায়। এই কাৰণে ক্ষুদ্ৰ গৱেষণা প্ৰকল্পৰ বিষয় হিচাপে "সৰ্থেবাৰী অঞ্চলৰ লোক-সাংস্কৃতিক অধ্যয়ন (কাঁহ শিল্পৰ বিশেষ উল্লিখন সহ) আলোচনাৰ বাবে লোৱা হৈছে।

গৱেষণা প্ৰকল্পটোত বিশেষ ভাবে ক্ষেত্ৰ অধ্যয়ন পদ্ধতি প্ৰয়োগ কৰা হৈছে আৰু গৱেষণা কাৰ্য্যত ব্যৱহৃত সমলো বিশেষভাবে ক্ষেত্ৰগত। এই ক্ষেত্ৰত কিছু সংখ্যক অভিজ্ঞ ব্যক্তিৰ সহায় লোৱা হৈছে। অঞ্চলভেদে সমল সংগ্ৰহত বিশেষভাবে সহায় কৰা সকলৰ ভিতৰত তৰুলতা ডেকা, গায়ত্ৰী ডেকা, ধনদা তামুলী, চক্ৰেশ্বৰ ডেকা, বিনোদ ডেকা আৰু বিশ্বজিৎ ডেকা আদিও আমাৰ বিশেষ কৃতজ্ঞতাৰ পাত্ৰ। এই ছেগতে আমি তেখেতসকললৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। আমাৰ এই প্ৰকল্প কাৰ্য্যৰ আঁত ধৰি বিভিন্ন দিহা পৰামৰ্শৰে কামটো সম্পূৰ্ণ কৰি তোলাত প্ৰভূতভাবে প্ৰেৰণা যোগোৱা বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক সংস্কৃতি বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড° নবীন চন্দ্ৰ শৰ্মা দেৱলৈ আমাৰ অন্তৰভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলো। তদুপৰি বিভিন্নভাবে সৰ্বতোপ্ৰকাৰে সহায়ৰ হাত আগবঢ়োৱা ড° দিলীপ বৰা, ড° মুকুল চক্ৰৱৰ্ত্তী আৰু ড° নীলমোহন ৰায়লৈ আমাৰ কৃতজ্ঞতাৰ অৱধি নাই। পৰিশেষত প্ৰকল্প সংগ্ৰহক বাস্তৱ ৰূপ দিয়াত সহায় কৰা বাবে মুদ্ৰালেখক দীপক চক্ৰৱৰ্ত্তীলৈ আমাৰ আন্তৰিক মৰম থাকিল।

গীতা ডেকা

( গীতা ডেকা )

# প্ৰথম খণ্ড

# সৰ্থেবাৰী অঞ্চলৰ লোক-সাংস্কৃতিক অধ্যয়ন বিষয়ৰ উদ্দেশ্য আৰু সমল

**<u>প্ৰস্তাৱিত গৱেষণাৰ ক্ষেত্ৰ আৰু অধিবাসী</u> ঃ**

অসমৰ বৰপেটা জিলাৰ সৰুক্ষেত্ৰী মৌজাৰ অন্তৰ্গত সৰ্থেবাৰী এখন ইতিহাস প্ৰসিদ্ধ ঠাই। ইয়াৰ ওচৰৰ গাঁওসমূহক লৈ সৰ্থেবাৰী এটা ডাঙৰ অঞ্চল। এই গাঁওসমূহৰ লগত সৰ্থেবাৰী ওতপ্ৰোতভাৱে জড়িত। সৰ্থেবাৰীৰ প্ৰাচীনত্ব সম্বন্ধে বুৰঞ্জীত বিশেষভাৱে উল্লেখ নাই যদিও দুই এখন গ্ৰন্থ আৰু জনশ্ৰুতিৰ পৰা কিছু সমল পাব পৰা যায়। সৰুক্ষেত্ৰীক আগতে ক্ষেত্ৰী নামেৰে জনা গৈছিল। ৰামচৰণ ঠাকুৰৰ 'গুৰুচৰিত' আৰু দৈত্যাৰি ঠাকুৰৰ 'কথা গুৰুচৰিত'ত ক্ষেত্ৰী অঞ্চলৰ উল্লেখ আছে। সৰ্থেবাৰী অঞ্চলৰ চাৰিওফালে বৈষ্ণৱ সত্ৰৰে পৰিপূৰ্ণ। ৰামচৰণ ঠাকুৰৰ গুৰুচৰিতত উল্লেখ আছে যে গুৰুজনে ইয়াৰ কাপলা বিলৰ পাৰত সত্ৰ পাতি ছয়মাহ আছিল, গোমূৰা সত্ৰতো মাধৱদেৱে আহি ছয়মাহ কটাইছিল। এসময়ত পাকা, ক্ষেত্ৰী আৰু ধৰ্মপুৰ সৰুক্ষেত্ৰী মৌজাৰ অন্তৰ্গত আছিল। ১৮৯৭ চনৰ ভূমিকম্পৰ ফলত ইয়াৰ ভৌগোলিক সীমাৰ কিছু পৰিবৰ্তন হয়। সৰ্থেবাৰীৰ পূবফালে কাৰাকুছি গাঁও, নামশলা গাঁও, বৰবিলা, নলবাৰী জিলাৰ ক্ষেত্ৰী ধৰ্মপুৰ মৌজাৰ চাৰাবৰী, হেলচা আৰু দাহুদী গাঁও। দক্ষিণে বেঙাপাৰা, বণিয়াকুছি, লচিমা গাঁও, কামাৰপাৰা আৰু কাপলা বিল, পশ্চিমে পাকা মৌজাৰ নসত্ৰ, বামুন্দি, নেউলাৰ ভিঠা, তাভাবিল আৰু মালজানা। উত্তৰে গোমূৰা গাঁও, বতিয়া, পাৰাকুছি আৰু বুঢ়াদিয়া নদী। সৰ্থেবাৰীৰ আশে-পাশে থকা বিলসমূহলৈ চাই অনুমান কৰিব পাৰি এসময়ত সৰ্থেবাৰী অঞ্চল অতি দ আছিল। সৰ্থেবাৰীৰ মাজেৰে আল্লা নামেৰে এখন নৈ বৈ গৈছে।

কাঁহ শিল্প সৰ্থেবাৰীৰ এটি ঐতিহ্যপূৰ্ণ কুটিৰ শিল্প। কনকলাল বৰুৱাৰ 'কামৰূপৰ বুৰঞ্জী'ত উল্লেখ আছে যে ৭ম শতিকাত ভাস্কৰ বৰ্মাই কনৌজৰ ৰজা হৰ্ষবৰ্দ্ধনলৈ পঠোৱা উপহাৰৰ ভিতৰত সৰ্থেবাৰীৰ কাঁহৰ বাচনো আছিল। গতিকে ৭ম শতিকাত সৰ্থেবাৰীৰ অস্তিত্ব আছিল। সৰ্থেবাৰীৰ নামৰ উৎপত্তিৰ ক্ষেত্ৰতো বিভিন্ন প্ৰবন্ধ আৰু জনশ্ৰুতিৰ পৰা কেইটামান মত উল্লেখ কৰিব পৰা যায়। কুমাৰ ভাস্কৰ বৰ্মাৰ দূত হংসবেগৰ লগত সতনাথ নামেৰে এজন শিল্পীও কনৌজলৈ গৈছিল। তেওঁ তাত বৌদ্ধ ধৰ্ম গ্ৰহণ কৰি শেষ বয়সত নিজ ঠাইলৈ ঘূৰি আহে। লগত তেওঁৰ কেইজনমান শিষ্যও

আহিছিল। বৌদ্ধধৰ্মত যিসকল লোকৰ ধৰ্মৰ  ক্ষেত্ৰত মন স্থিৰ হয়, তেওঁলোকক 'থেৰ' কোৱা হয়। সেয়েহে গাঁওৰ মানুহে সতনাথ আৰু তেওঁৰ শিষ্য কেইজনক 'থেৰ' বুলি ক'ব ধৰিলে। এই 'থেৰ'সকলে থাকিবলৈ লোৱাৰ পিছৰ পৰাই গাঁওৰ মানুহে সত-থেৰ-বাৰী বুলি ক'বলৈ ধৰিলে। পিচলৈ ই সৰ্থেবাৰী হ'লগৈ। কিছুমানৰ মতে পুৰণিকালত সৰ্থেবাৰীৰ দ ঠাইবোৰত 'সথ' নামৰ এবিধ খাৰ জাতীয় উদ্ভিদ হৈছিল। মানুহে এই খাৰ নিমখৰ সলনি ব্যৱহাৰ কৰিছিল। ওচৰৰ গাঁৱৰ মানুহে এই গাঁওখনক 'সথৰ বৰি' বুলি কৈছিল। এই 'সথৰ বৰি'ৰ পৰাই সৰ্থেবাৰী হ'ল বুলি ক'ব পাৰি। আন কিছুমানৰ মতে শংকৰদেৱে তেওঁৰ শিষ্যসকলৰ লগত আহি এই ঠাইত সৰ্থিছিল বা জিৰাইছিল। তাৰ পৰাই ইয়াৰ নাম সৰ্থেবাৰী হয়। এনেদৰে নামৰ উৎপত্তিৰ ক্ষেত্ৰত বিভিন্ন জনশ্ৰুতি চলি আহিছে। অধ্যয়নৰ ক্ষেত্ৰত এইবোৰ বিস্তৃত ৰূপত আলোচনা কৰিব পৰা যাব।

সৰ্থেবাৰীৰ বেছিভাগ লোকেই হিন্দু। পশ্চিম ফালে কিছু সংখ্যক ইছলামধৰ্মী লোক আছে। হিন্দুসকলৰ ভিতৰত মহাপুৰুষীয়া, হৰিদেৱ আৰু দামোদৰদেৱ সম্প্ৰদায়ৰ লোক আছে। বিভিন্ন ধৰ্মাৱলম্বী লোক একীভূত হোৱালৈ লক্ষ্য কৰি সৰ্থেবাৰী অঞ্চলৰ সম্প্ৰদায়ত ধৰ্মীয় ভাবনাৰ ক্ষেত্ৰতো গৱেষণীয় দিশ উদ্‌ঘাটন কৰাৰ সমল আছে।

<u>**গৱেষণাৰ বিষয়বস্তু**</u> **ঃ**

সৰ্থেবাৰী কাঁহ শিল্পৰ কাৰণেই বিখ্যাত। ইয়াৰ সৰহ সংখ্যক লোকেই কঁহাৰ। পূৰ্বপুৰুষসকলো কঁহাৰেই আছিল। সৰ্থেবাৰীৰ ঁপুষ্পৰাম কঁহাৰে এসময়ত জাতকাঁহী, কাঁহৰ তামোলৰ থোক আদি তৈয়াৰ কৰিছিল। ঁজীউধন কঁহাৰেও কাঠৰ বাঘ এটা সাজি তাৰ ভিতৰত ভোৰতাল এজোৰ এনেদৰে সংযোগ কৰিছিল যে বাঘটো আগুৱাই দিলে তালযোৰৰ শব্দটো বাঘৰ মাতৰ দৰে হয়। এই কৃত্ৰিম বাঘটো তেওঁ ৰজা শিৱসিংহক উপহাৰ স্বৰূপে দিছিল। ৰজা শিৱসিংহই তেওঁৰ শিল্পকৰ্মত মুগ্ধ হৈ 'চৌধুৰী' উপাধি দিছিল। কঁহাৰসকল কঠোৰ পৰিশ্ৰমী আৰু সাহসী। এওঁলোক স্বাধীনতাপ্ৰেমী। পূৰ্বপুৰুষসকলেও সাহসেৰে একগোট হৈ বৃটিছৰ বিৰুদ্ধে মাত মাতিছিল। ইয়াৰ পানা গাঁওৰ টুপত বহা ১৮৯৪ চনৰ ঐতিহাসিক 'ৰাইজ মেল' তাৰেই প্ৰমাণ। এই 'ৰাইজ মেল'ত কঁহাৰসকলে আগভাগ লৈছিল। বিখ্যাত ঁপুষ্পৰাম কঁহাৰে 'ৰাইজ মেল'ত বৃটিছৰ বিৰুদ্ধে মাত মতাৰ কাৰণে জেল খাটিব লগা হৈছিল। জেলত থাকিয়েই কাঁহী-বাটি তৈয়াৰ কৰাৰ কাৰণে তেওঁৰ শিল্পকৰ্ম 'জেলকাঁহী' আৰু 'জোলবাটি' নামে জনাজাত। কাঁহৰ বাচন ধৰ্মীয় আৰু সাংস্কৃতিক সকলো দিশতেই ব্যৱহাৰ হয়। কঁহাৰসকলে কাঁহৰ বাচনবোৰত সুন্দৰ সুন্দৰ লতা, ফুল আঁকিছিল। সৰ্থেবাৰী অঞ্চলৰ বনিয়াকুছি গাঁওত পিতলৰ বাচনো প্ৰস্তুত কৰা হয়।

সৰ্থেবাৰীত পূৰ্বৰপৰা বিভিন্ন ধৰ্মীয় উৎসৱ, পূজা-উপাসনা আদি চলি আহিছে। এই উৎসৱসমূহে সমাজত ঐক্য স্থাপনত সহায় কৰি আহিছে। উৎসৱৰ ভিতৰত উল্লেখযোগ্য হ'ল সৰ্থেবাৰীৰ সভা। এই সভাখন মেলামুখী ধৰ্মীয় অনুষ্ঠান। প্ৰতি বছৰে মাঘী পূৰ্ণিমাত সভা অনুষ্ঠিত হয়। প্ৰায় দুশ বছৰ আগৰ পৰাই একে ধৰণেৰেই চলি আহিছে। সভাখনৰ কিছুমান নিজস্ব বৈশিষ্ট্য আছে। সৰ্থেবাৰীৰ 'পাচখেল'ৰ ৰাইজে সভাখন পৰিচালনা কৰে। সভাৰ উপাস্য দেৱতা হ'ল 'জগন্নাথ মহাপ্ৰভু'। সভাৰ সময়ত বিভিন্ন চুপাৰ গোসাঁই ঘৰৰ বিগ্ৰহবোৰ আনি ৰাজহুৱা গোসাঁই ঘৰত থোৱা হয়। আৰু তাতেই সভা অনুষ্ঠিত হয়। সভা পাঁচদিন চলে, সভাত হোম পোৰা হয়। আটাইকেইদিন ভকত-ভকতনীসকলে নাম গায়। সভাত সকলোৱে ওজাপালি, ঢুলীয়া, যাত্ৰা, থিয়েটাৰ আদি উপভোগ কৰে। অসমৰ ভিতৰতে একক ৰূপত স্থিত সৰ্থেবাৰীৰ কাঁহশিল্পৰ বৈশিষ্ট্য তথা গুৰুত্বৰ উৎস অনুসন্ধানত গৱেষণাৰ যথেষ্ট সমল পাব পৰা যায়। সৰ্থেবাৰীৰ সভাই অসমৰ বৃহত্তম সভা হিচাবে স্থিতি লাভ কৰি অহাৰ ক্ষেত্ৰত এই অনুষ্ঠানৰ উৎস-বিচিত্ৰতা সম্বন্ধে গৱেষণা কৰাৰ বিশেষ সমল আহৰণ কৰিব পৰা যায়।

সভাৰ পিচতেই ফাগুন মাহৰ পূৰ্ণিমাত দৌল উৎসৱ পালন কৰা হয়। এই উৎসৱ তিনিদিন ধৰি চলে। তৃতীয় দিনৰ উৎসৱক 'হোলী' বা 'সৰি' উৎসৱ কোৱা হয়। সেইদিনা দৌলৰ পৰা বিগ্ৰহসমূহ উলিয়াই মুকলি পথাৰলৈ নিয়া হয়। তাত ফাকুগুৰি চটিয়াই নাম গায়। আয়তীসকলে গীত-পদ গায়। সৰ্থেবাৰীৰ আন এটা ধৰ্মীয় উৎসৱ হ'ল 'পাউৱা সৰি' উৎসৱ। বহাগ মাহৰ সাত বিহুৰ দিনাখন এই উৎসৱ পালন কৰা হয়। গাঁওৰ ল'ৰাবিলাকে দীঘল দীঘল বাঁহবোৰ গোটায়। সেই বাঁহবোৰত ৰং-বিৰঙৰ কাপোৰ মেৰিয়াই লোৱা হয়। বাঁহবোৰ থিয়ৈ থিয়ৈ শাৰী পাতি পোতে। ইয়াক 'পাউৱা তোলা' বুলি কোৱা হয়। এই উৎসৱত বিভিন্ন গীত-পদ গোৱা হয়। পুৰুষসকলে ভোৰতাল বজাই নাম ধৰে। আটাইবোৰ ধৰ্মীয় অনুষ্ঠানত 'থিয়নাম' ধৰা হয়।

সৰ্থেবাৰীৰ চুপাবোৰত থকা গোসাঁইঘৰত আয়তীসকলে জন্মাষ্টমী আৰু পচতি উৎসৱ পালন কৰে। ইয়াত থকা হৰিদেৱধামত হৰিদেৱৰ জন্ম আৰু মৃত্যুতিথি পালন কৰা হয়। চুপাবোৰত থকা গোঁসাই ঘৰবোৰত নাম-প্ৰসঙ্গ চলে যদিও মাজে মাজে সমূহীয়াভাৱে ডাঙৰ নাম অনুষ্ঠিত হয়। তাকেই 'ৰাইজানাম' কোৱা হয়। এই নামত পাচ খেলৰ ৰাইজে ভাগ লয়। পাঠকসকলে নামত ভোৰতাল বজায়। পুৰুষসকলে 'থিয়নাম' ধৰে। বহাগ মাহত ৰাজহুৱা গোসাঁই ঘৰত 'এক পইচা'ৰ নাম ধৰা হয়। 'এক পইচাৰ নাম' পূৰ্বৰে পৰা চলি আহিছে। এই নামো ৰাইজৰে নাম। নামৰ বিশেষ বৈশিষ্ট্য আছে। আগতে জনমূৰি এক পইচাকৈ তুলি এই নাম ধৰা হৈছিল। বৰ্ত্তমান বস্তুৰ দাম বঢ়াৰ কাৰণে জনমূৰি পঁচিশ পইচাকৈ তোলা হয়। লোক গণনা কৰাৰ এইটো এটা সুন্দৰ কৌশল।

সৰ্থেবাৰী অঞ্চলৰ চাৰিওফালে নৈ, জান-জুৰিৰে ভৰপূৰ। পূৰ্বৰ পৰা বাৰিষাকালত জন্মাষ্টমী, পোন্ধৰ আগষ্ট আদিত আল্লা নদীত নাও খেলৰ উৎসৱ হৈছিল। এই অঞ্চলৰ ব্যাসকুচি, কাৰাকুচি, কাপলা, বৰবিলাতো নাও খেলৰ উৎসৱ হৈছিল। বৰ্ত্তমান মথাউৰি, ৰাস্তা আদি হোৱাৰ ফলত নাও খেল উৎসৱ লাহে লাহে কমি আহিছে।

সৰ্থেবাৰীৰ বেছিভাগেই বৈষ্ণৱধৰ্মী। সেয়েহে ইয়াত সমূহীয়াভাৱে পূজা-উপাসনা বৰ বেছি কৰা নহয়। সৰ্থেবাৰীৰ চাৰিওফালে থকা বৈষ্ণৱ সত্ৰসমূহৰ প্ৰভাৱ পৰাৰ ফলতেই হয়তো এয়া সম্ভৱ হৈছে। সৰ্থেবাৰীত সমূহীয়াকৈ 'দুৰ্গা পূজা' কৰা নহয়। ছোৱালীবোৰে লগ লাগি বেলেগ বেলেগ গোট হৈ নৱমীৰ দিনা 'দেৱী পূজা' কৰে। কলপুলি নাইবা মাটিৰ প্ৰতিমা সাজি বিভিন্ন গীত-মাতেৰে দেৱীপূজা কৰে। সৰ্থেবাৰী অঞ্চলৰ নামশলা গাঁৱত সমূহীয়াকৈ দুৰ্গা পূজা কৰা হয়। দুৰ্গা পূজাৰ উপৰি শিৱৰাত্ৰি, লক্ষ্মীপূজা, শ্যামাপূজা আদি কৰা হয়। সৰ্থেবাৰীত বসন্তকালত বাসন্তীপূজাও কৰা হয়। সৰ্থেবাৰীৰ উক্ত উৎসৱ অনুষ্ঠান আদিৰ প্ৰণালীবদ্ধ পৰ্যালোচনা কৰাৰ ক্ষেত্ৰত ব্যাপক সমল উদ্‌ঘাটন কৰাৰ স্থল আছে।

সৰ্থেবাৰীৰ গীত-মাতত সুৰ আৰু ভাষাৰ ক্ষেত্ৰত নিজস্ব বৈশিষ্ট্য আছে। লোকগীতসমূহ বিভিন্ন আচাৰ-পদ্ধতি আৰু উৎসৱৰ লগত জড়িত। লোকগীতৰ ভিতৰত বিয়াগীত, সাত শাকতোলা গীত, মহোহো গীত, নাওখেলৰ গীত, দৌলৰ গীত, দেৱী পূজাৰ গীত আদি উল্লেখযোগ্য। সৰ্থেবাৰীৰ অঞ্চলসমূহত গুৰুজনা আৰু তেওঁৰ শিষ্যসকলে কেইবাখনো সত্ৰ প্ৰতিষ্ঠা কৰি থৈছে। শংকৰদেৱ আৰু মাধৱদেৱে উজনিৰ পৰা ভটিয়াই আহি কামৰূপৰ বেলবাৰী আৰু কামাৰপাৰাত ছয়মাহ থাকি ধৰ্মপ্ৰচাৰ কৰিছিল। গোমূৰা সত্ৰ শংকৰদেৱৰ নাতি চতুৰ্ভুজ ঠাকুৰ আৰু মাধৱদেৱে স্থাপন কৰিছিল। কাৰাকুছি গাঁৱতো মাধৱদেৱৰ পদশিলা আছে। দামোদৰদেৱৰ শিষ্য ভট্টদেৱে ব্যাসকুছিত সত্ৰ পাতিছিল। এই সত্ৰসমূহত বৈষ্ণৱ যুগৰ গীত-পদ, নাম-কীৰ্তন, বৰগীত আদি পোৱা যায়। লোকগীতৰ বাহিৰেও নাট, ভাওনা আদি গুৰুজনাৰ তিথিত অনুষ্ঠিত হয়। কামাৰপাৰা, ভকুৱাটেপা, ব্যাসকুছি আদিত ওজাপালিৰ দলো গঠন হৈছিল। অৱশ্যে সময়ৰ সোঁতত বহুসমলেই নিঃচিহ্ন হ'বলৈ আৰম্ভ হৈছে।

উল্লিখিত দিশসমূহ পৰ্যবেক্ষন কৰিলে সৰ্থেবাৰীৰ সমাজ আৰু সংস্কৃতিৰ বৈভৱশীল আৰু বৈচিত্ৰ্যময় ৰূপটো স্বাভাৱিকতে প্ৰতীয়মান হয়। সেইফালৰ পৰা সৰ্থেবাৰীৰ সামাজিক আৰু সাংস্কৃতিক সমল গুৰুত্বপূৰ্ণ ৰূপতেই প্ৰণালীবদ্ধ পৰ্যালোচনা কৰাৰ সুবিধা আছে।

**গৱেষণাৰ উদ্দেশ্য আৰু তাৎপৰ্য ঃ**

অসমীয়া সংস্কৃতিৰ বিস্তৃত পৰিসৰ অধ্যয়নৰ ক্ষেত্ৰত ইয়াৰ বিভিন্ন অঞ্চলৰ বৈশিষ্ট্যপূৰ্ণ আৰু বৈচিত্ৰ্যপূৰ্ণ আঞ্চলিক ৰূপৰ বিচাৰ স্বাভাৱিকতে প্ৰয়োজনীয় হৈ পৰে। এই ক্ষেত্ৰত সৰ্থেবাৰী

অঞ্চলৰ বৈচিত্ৰ্যপূৰ্ণ সংস্কৃতিয়ে অসমীয়া সংস্কৃতিলৈ বিশেষ অৱদান আগবঢ়াইছিল। বিশেষকৈ ইয়াৰ কাঁহশিল্পই এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। আধুনিকতাৰ প্ৰভাৱত পৰম্পৰাগত জীৱনধাৰাৰ দ্ৰুতগতিত সলনি হৈ আহিছে। পৰম্পৰাগত সংস্কৃতিৰ ধাৰকসকল লাহে লাহে নোহোৱা হৈ আহিছে। জনপ্ৰিয়তা আৰু কেঁচামালৰ অভাৱত কাঁহ শিল্পই গুৰুতৰধৰণে আধুনিক জীৱনযাত্ৰাত উপেক্ষিত হৈছে। বৰ্তমান সম্ভ্ৰান্ত পৰিয়ালৰ মহিলাসকলে কাঁহৰ বাচন-বৰ্তনতকৈ ষ্টীল আৰু অন্যান্য দ্ৰব্যজাত বাচন-বৰ্তনকহে অধিক গুৰুত্ব দিয়া দেখা গৈছে। অৱশ্যে অন্যান্য শিল্পজাত সামগ্ৰীৰ মূল্যতকৈ কাঁহৰ মূল্য অধিক হোৱা বাবে এই শিল্প লাহে লাহে মৃত্যুমুখী হোৱাটো আন এটা কাৰণ। সৰ্থেবাৰী অঞ্চলত সিঁচৰতি হৈ থকা সংস্কৃতিৰ বিভিন্ন দিশসমূহ সুসংবদ্ধভাৱে প্ৰতিষ্ঠা কৰাটোৱেই গৱেষণাৰ মূল উদ্দেশ্য। এই অধ্যয়নে সৰ্থেবাৰী অঞ্চলৰ অতীত ঐতিহ্য আৰু সংস্কৃতিৰ প্ৰকৃত স্বৰূপ উদ্‌ঘাটন আৰু প্ৰমূল্য নিৰ্দ্ধাৰণত নিশ্চয় সহায়ক হ'ব।

## <u>গৱেষণাৰ পদ্ধতি</u> ঃ

গৱেষণাৰ পদ্ধতিগত কাৰ্যত ক্ষেত্ৰ অধ্যয়নৰ ওপৰত অধিক গুৰুত আৰোপ কৰা হ'ব। বিভিন্ন গ্ৰন্থ আৰু ইতিমধ্যে প্ৰকাশিত দুই-চাৰিটা প্ৰবন্ধৰ পৰা কিছু সমল আহৰিত হ'ব যদিও প্ৰকৃতপক্ষে ক্ষেত্ৰ-অধ্যয়নৰ জৰিয়তেহে বিষয়বস্তু আহৰণৰ বিস্তৃত দিশ প্ৰশস্ত কৰা হ'ব। এই ক্ষেত্ৰত সৰ্থেবাৰী অঞ্চলৰ বিভিন্ন গাঁওসমূহলৈ গৈ বৃদ্ধব্যক্তি বা অভিজ্ঞসকলৰ পৰম্পৰাগতভাৱে মুখ বাগৰি অহা বৈচিত্ৰ্যপূৰ্ণ চিন্তাসম্বলিত তথ্য তথা মিথ, জনশ্ৰুতি আদিৰ সহায়তো কিছু সমল গ্ৰহণ কৰিব পৰা যাব। এই প্ৰসঙ্গত বিষয়বস্তুৰ অনুক্ৰম, তথ্যৰ শৃংখলা ৰক্ষা আৰু সমল প্ৰত্যয়ান্বিত কৰিবলৈ সম্ভৱপৰ ৰূপত টেপৰেকৰ্ডাৰ আৰু কেমেৰাও প্ৰয়োজনবোধ ব্যৱহাৰ কৰা হ'ব। বিষয়বস্তুৰ ঐতিহাসিকত্ব ৰক্ষা হেতু তথ্য অৱগত কৰা সংবাহকসকলৰ পৰিচয়, জীৱিকা, পেশা আদিৰো গৱেষণা কাৰ্যত উল্লেখ থাকিব।

## <u>প্ৰস্তাৱিত গৱেষণাৰ প্ৰমেয় (Hypothesis)</u> :

ক্ষেত্ৰ-নিৰীক্ষণ পৰ্যবেক্ষণ তথা স্থানীয় সংবাহকসকলৰ পৰা প্ৰাপ্ত তথ্যৰ ভিত্তিত সৰ্থেবাৰীৰ সাংস্কৃতিক ঐতিহ্যৰ বিশিষ্টতা প্ৰদৰ্শনেই প্ৰস্তাৱিত গৱেষণা কাৰ্যৰ মূল লক্ষ্য হ'ব। প্ৰকাশিত আৰু অপ্ৰকাশিত বিভিন্ন গ্ৰন্থ আৰু প্ৰবন্ধাদি এই ক্ষেত্ৰত বিশ্লেষণৰ ভিত্তি হিচাবে গ্ৰহণ কৰা হ'ব। তদুপৰি বৰ্ণাঢ্য অসমীয়া সংস্কৃতিৰ বহল ক্ষেত্ৰত সৰ্থেবাৰী অঞ্চলৰ সাংস্কৃতিক সমলক ধাৰক হিচাবে প্ৰতিষ্ঠিত কৰাৰ চেষ্টাই হ'ব এই গৱেষণাৰ বিশেষ প্ৰমেয় (Hypothesis)।

## এই বিষয়ত ইতিমধ্যে কৰা কামৰ খতিয়ান ঃ

অসমীয়া সংস্কৃতিৰ ব্যাপক ক্ষেত্ৰ প্ৰশস্ত কৰাত সৰ্থেবাৰী অঞ্চলৰ সমাজ আৰু সংস্কৃতিৰ অধ্যয়ন স্বাভাৱিকতে প্ৰয়োজন হৈ পৰে। কিয়নো অসমৰ জনসংস্কৃতিৰ জীৱনধাৰাৰ সৈতে সৰ্থেবাৰীৰ সম্বন্ধ ওতপ্ৰোত। কিন্তু অসমৰ জনসংস্কৃতি জীৱনধাৰাত সন্মিলিত হৈ থকা সৰ্থেবৰীয়া সংস্কৃতিৰ স্বাতন্ত্ৰ্যতাৰ বিচাৰ বিশ্লেষণ তেনেই সীমিত। এই ক্ষেত্ৰত সৰ্থেবাৰী সম্পৰ্কে বিশদ ৰূপত জানিব পৰা বিশেষ গ্ৰন্থাদিও বৰ্তমানলৈ প্ৰকাশ পোৱা নাই। কেৱল বিভিন্ন অনুষ্ঠানৰ সৈতে বিজড়িত দুই এখন স্মৃতিগ্ৰন্থ আৰু সাময়িকভাৱে প্ৰকাশ পোৱা দুই চাৰিটা প্ৰবন্ধৰ বাহিৰে সৰ্থেবাৰীৰ সমাজ আৰু সাংস্কৃতিক জীৱন অৱগত কৰিব পৰা তেনে প্ৰামাণ্য সমলো দৃষ্ট হোৱা নাই। ফলস্বৰূপে সৰ্থেবাৰীৰ বিস্তৃত দিশ অধ্যয়নৰ কোনো প্ৰণালীবদ্ধ আলোচনা বা চিন্তা-চৰ্চাৰ দিশ এতিয়ালৈকে উন্মোচিত হোৱা নাই।

দ্বিতীয় খণ্ড

# সৰ্থেবাৰী অঞ্চলৰ লোক-সাংস্কৃতিক জীৱন

অসমৰ সাংস্কৃতিক ইতিহাসত সৰ্থেবাৰী অঞ্চলৰ এক বিশেষ ভূমিকা আছে। সাধাৰণতে সৰ্থেবাৰী গাঁৱখনকে কেন্দ্ৰ কৰি ইয়াৰ আশে-পাশে থকা সংলগ্ন গাঁৱসমূহক লৈ বৃহত্তৰ সৰ্থেবাৰী অঞ্চলটো গঢ়ি উঠিছে। মুখ্যতঃ সৰ্থেবাৰীৰ সামাজিক আৰু সাংস্কৃতিক জীৱনধাৰাৰ প্ৰভাৱ সংলগ্ন গাঁৱসমূহৰ ওপৰত তেনেই স্বাভাৱিক বাবেই অধ্যয়নৰ পৰিসীমাত সামগ্ৰিকভাৱে ইয়াক সৰ্থেবাৰী অঞ্চল হিচাপে গ্ৰহণ কৰা হৈছে। অসমৰ অন্যান্য অঞ্চলৰ দৰে আৱহমানকালৰ পৰাই সৰ্থেবাৰীৰ সামাজিক বৈচিত্ৰ্য আৰু সাংস্কৃতিক বৈভৱ স্বকীয় ভাবনাৰে সমৃদ্ধ। ৰাজনৈতিকভাৱে অসম ৰাজ্য হিচাপে অভিহিত হ'লেও ভৌগোলিক ভিন্নতাৰ বাবে অসমৰ মানচিত্ৰত সন্নিবিষ্ট বিভিন্ন অঞ্চলৰ স্বাভাৱিক স্বতন্ত্ৰতা পৰিলক্ষিত হয়। জীৱিকাৰ ক্ষেত্ৰ, দৈনন্দিন ধ্যান-ধাৰণাৰ আৰু পাৰম্পৰিক অৱগাহনৰ সংসৰ্গই বিশেষ ভৌগোলিক পৰিবেশত আঞ্চলিক বৈচিত্ৰ্য প্ৰতিপন্ন কৰি আহিছে। তেনে পৰিবেশৰ আচাৰ-বিচাৰ পদ্ধতি আৰু সন্মিলিত সত্তাৰ বিকাশ সাধনতেই সামাজিক অৱয়ৱ গঢ়ি উঠে। সেই কাৰণে ব্যক্তিৰ সমষ্টিগত অনুভৱৰ তাড়নাতেই সমাজ উদ্বেলিত। সমাজ বন্ধনৰ পৰিপ্ৰেক্ষিততেই সাংস্কৃতিক ৰুচিবোধৰো উন্মেষ ঘটে। দৈনন্দিন জীৱনধাৰাৰ কাৰ্য্যাৱলীৰ মানসিক কৰ্ষণতেই ভিন্ন ৰুচিৰ সৃষ্টি হয় আৰু ৰুচিৰ মানসিক উৎকৰ্ষ সাধনতেই সংস্কৃতিয়ে গঢ় লয়। এইবাবে ব্যক্তিৰ অস্তিত্ব আৰু উত্তৰণত সামাজিক আৰু সাংস্কৃতিক চিন্তা ওতপ্ৰোতভাৱে বিজড়িত।

ভৌগোলিক পৰিবেশৰ বিচিত্ৰতাই আনি দিয়া সমাজ সংস্কৃতিৰ আঞ্চলিক বৈশিষ্ট্যসমূহৰ সামগ্ৰিক সত্তাতেই জাতীয় সমাজ আৰু সংস্কৃতিয়ে গঢ় লয়। এই অৰ্থতে অসমৰ সমাজ আৰু সংস্কৃতিৰ বুৰঞ্জী আঞ্চলিক সমাজ-সংস্কৃতিৰেই পুনৰ্নিৰ্মাণ। সেয়েহে অসমৰ সামাজিক আৰু সাংস্কৃতিক জীৱনচৰ্যাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন অঞ্চলৰ সমাজ-সংস্কৃতিৰ অধ্যয়নৰ প্ৰয়োজনীয়তা আহি পৰে। বিভিন্ন জাতি-উপজাতিৰে সন্মিলিত বৈচিত্ৰ্যময় অসমৰ সমাজ সংস্কৃতিত সৰ্থেবাৰী অঞ্চলৰ স্বকীয়ত্বইও বিশেষ ভূমিকা গ্ৰহণ কৰিছে।

বৃহত্তৰ সৰ্থেবাৰী অঞ্চলৰ সমাজ-সংস্কৃতি বুলিলে সৰ্থেবাৰীৰ চাৰিওদিশে সংলগ্ন হৈ থকা নামশলা, পল্লা, হেলচা, কাৰাকুছি, গোমূৰা, বতিয়া, খাৰসুঠা, নসত্ৰ, লছিমা, বনিয়াকুছি, বেলবাৰী, হালধিবাৰী, কামাৰপাৰা, ৰাউলী, বেঙাপাৰা, আমৃখোৰা, বৰঘোপা, চিনাদী, শলা আদি সৰুক্ষেত্ৰী মৌজাৰ গাঁৱসমূহৰ দৈনন্দিন জীৱনধাৰাক উল্লেখযোগ্য আবেষ্টনীলৈ আনিব পাৰি। কিন্তু এই কথাও স্পষ্ট যে বৃহত্তম গাঁও সৰ্থেবাৰীৰ সামাজিক গাঁথনি আৰু সাংস্কৃতিক পৰিধিৰে ইয়াৰ পাৰ্শ্ববৰ্তী ক্ষুদ্ৰ গাঁৱসমূহ পৰিকল্পিত হৈ আহিছে। এই অৰ্থতে সৰ্থেবাৰী অঞ্চলক ব্যাপকভাবে সৰুক্ষেত্ৰী অঞ্চল বুলি অভিহিত কৰি অহাৰো মূল কাৰণ। সেয়েহে অধ্যয়নৰ বিস্তৃতিত সৰ্থেবাৰীৰ সমাজ ব্যৱস্থা আৰু সাংস্কৃতিক চিন্তাৰ পৰিসৰে মুখ্য ভূমিকা গ্ৰহণ কৰাটো তেনেই স্বাভাৱিক।

অসমৰ প্ৰাচীন গাঁৱসমূহৰ ভিতৰত সৰ্থেবাৰী এখন অন্যতম প্ৰধান গাঁও। কাঁহ শিল্পৰ পৰিচিতিৰেই অসমৰ মানচিত্ৰত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰা সৰ্থেবাৰী[১] বৰ্তমান নগৰলৈ উন্নীত হৈছে যদিও ইয়াৰ জীৱন-ধাৰণ পদ্ধতি, সমাজ ব্যৱস্থা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আৰু পৰম্পৰাগত ধ্যান-ধাৰণাৰে আজিও ই এখন ঐতিহ্যপূৰ্ণ গাঁও হিচাবেহে জনমানসত চিৰ পৰিচিত। সেইকাৰণে তথাকথিত নগৰীয়া জীৱন প্ৰবাহমুক্ত সৰ্থেবাৰীৰ গ্ৰাম্য সমাজখন ঐতিহ্যশীল গ্ৰামীণ সমাজৰ আধাৰত বিভাজিত আৰু পৰিচালিত। তাৎপৰ্যপূৰ্ণভাৱে সৰ্থেবাৰীৰ সমাজখন পাঁচটা খেলত বিভক্ত। আতাথেৰ খেল, তালুকদাৰ খেল, কাজিথেৰ খেল, শালাকাঠিয়াথেৰ খেল আৰু তামুলীথেৰ খেল। এই পঞ্চখেলেই সৰ্থেবাৰী গাঁৱৰ গণতান্ত্ৰিক ভেটি নিৰ্মাণ কৰিছে। এই খেলবোৰ আকৌ বিভিন্ন চুবুৰীত বিভক্ত। আতাথেৰ খেলৰ অন্তৰ্গত চুবুৰী (চুপা) হ'ল আতাথেৰ পুৰণ খেল, আতাথেৰ নতুন খেল, যোগীৰ বড়ি চুপা, ডাবোৰ (সৰু) চুপা আৰু ওজাথেৰ চুপা। তালুকদাৰ খেলৰ অন্তৰ্ভুক্ত হ'ল — নতুন তালুকদাৰ চুপা, পুৰণি তালুকদাৰ চুপা, ডাবোৰ (ডাঙৰ) চুপা আৰু যোগদ্ চুপা। কাজিথেৰ খেলৰ অন্তৰ্ভুক্ত হ'ল - পাটোৰাৰী চুপা, চৌধুৰী চুপা আৰু কাতিয়াথেৰ চুপা। শালাকাঠিয়াথেৰ খেলৰ অন্তৰ্ভুক্ত হ'ল - পাটোৰাৰী চুপা, চৌধুৰী চুপা আৰু শালাকাঠিয়াথেৰ চুপা। তামুলী খেলৰ অন্তৰ্ভুক্ত হ'ল তামুলী চুপা।

পঞ্চায়তৰ আৰ্হিতেই সৃষ্ট পাঁচখেলৰ গোটেই ৰাইজ লগ লাগি হোৱা সামূহিক গোটটোকেই কোৱা হয় — "পাঁচখেলৰ গয়াগএৱহ", গাঁৱখনৰ প্ৰতিজন লোকেই ইয়াৰ সদস্য। পাঁচখেলৰ মুৰব্বীকেইজনক 'পঞ্চ প্ৰধান' কোৱা হয়। এওঁলোক জনসাধাৰণৰ দ্বাৰাই নিৰ্বাচিত দক্ষতাসম্পন্ন লোক।

---

১. ১৯৫৫ চনৰ ৩১ ডিচেম্বৰ তাৰিখে সৰ্থেবাৰীক এখন ক্ষুদ্ৰনগৰলৈ উন্নীত কৰা হৈছে।

এওঁলোকৰ কাৰ্যকাল দুবছৰ। পঞ্চপ্ৰধানৰ পদবীসমূহ হ'ল — মজুমদাৰ, ধন ভৰালী, পাঠক, অৰ্চক আৰু আহ্বায়ক। শালাকাঠিয়াথেৰ খেলৰ পৰা মজুমদাৰ, আতাথেৰ খেলৰ পৰা ভৰালী, কাজিথেৰ খেলৰ পৰা পাঠক, তালুকদাৰ খেলৰ পৰা অৰ্চক আৰু তামুলীথেৰ খেলৰ পৰা আহ্বায়ক নিৰ্বাচিত কৰা হয়। ইয়াৰ ভিতৰত উল্লেখযোগ্য পদ তিনিটা হ'ল - মজুমদাৰ, ভৰালী আৰু পাঠক। মজুমদাৰে জনসাধাৰণৰ বিভিন্ন কামত হোৱা খৰছৰ হিচাব ৰাখে। ধন ভৰালীয়ে হাতত টকা-পইচা জমা ৰাখে আৰু পাঠকে ধৰ্মবিষয়ক কামৰ দায়িত্ব লয়। পাঁচখেলৰ দ্বাৰা আয়োজন কৰা সভাখনকে 'মেল' কোৱা হয়। পৰিয়ালৰ সম্পত্তিৰ ভাগ-বিতৰণৰ মীমাংসাও এই 'মেল'ৰ সহায়ত হয়। সেয়েহে ব্যক্তিগতভাৱে যিকোনো লোকেই যিকোনো সময়তেই 'মেল' আহ্বান কৰিব পাৰে।

প্ৰতি বছৰে মাঘী পূৰ্ণিমাত অনুষ্ঠিত হোৱা সৰ্থেবাৰীৰ 'সভা' আৰম্ভ হোৱাৰ পোন্ধৰ দিন আগৰে পৰা 'মেল' অনুষ্ঠিত কৰাৰ নিয়ম। এই মেলতেই পাঁচখেলৰ প্ৰতিনিধি লগ লাগি "'পাঁচখেল উন্নয়ন সমিতি" গঠন কৰা হয়। গাঁওখনত অনুষ্ঠিত হোৱা বিভিন্ন উৎসৱ, দোষীৰ উপযুক্ত বিচাৰ, সমাজৰ শিক্ষা আদি উন্নয়নমূলক কাৰ্যৰ লগত এই সমিতি জড়িত। গাঁওখনৰ ঐক্য আৰু শৃঙ্খলতা বজাই ৰখাত "পাঁচখেল উন্নয়ন সমিতি"ৰ গুৰুত্ব অধিক। পাঁচখেলৰ দ্বাৰা সমাজ নিয়ন্ত্ৰিত হ'লেও প্ৰত্যেক খেলৰ আকৌ নীতিগত কাৰণত নিজস্ব সুবিধাৰ কাৰণে আন্তৰ্গাথঁনিও লক্ষ্য কৰা যায়। পাঁচখেলৰ অন্তৰ্গত তামুলীথেৰ খেলৰ এটা উল্লেখযোগ্য গণতান্ত্ৰিক সমবায় অনুষ্ঠান হ'ল — মুষ্ঠি ভিক্ষা ভঁৰাল। এই ভঁৰাল টনকিয়াল কৰা হয় তামুলী চুপাৰ প্ৰতিটো পৰিয়ালৰ প্ৰতি সাজৰ পৰা তোলা এমুঠি চাউলেৰে। সেই চাউল বিক্ৰী কৰি পোৱা ধনেৰে চুবুৰীটোৰ ৰাস্তা-ঘাট নিৰ্মাণ, শিক্ষানুষ্ঠান, দুখীয়া ছাত্ৰক সাহায্য দিয়া আদি উন্নয়নমূলক কামত খটুওৱা হয়। এইটো তামুলীথেৰ খেলৰ স্বতন্ত্ৰ বৈশিষ্ট্য। সমূহীয়া পাঁচখেলৰ সৈতে ইয়াৰ কোনো সম্পৰ্ক নাই।

সৰ্থেবাৰীৰ নিচিনাকৈ পল্লা, নামশলা, গোমূৰা, কাৰাকুছি, বতিয়া, নসত্ৰ, আমৃখোৱা আদি সংলগ্ন গাঁওসমূহতো এনে সমাজ গাঁথনিতেই গাঁৱৰ ঐক্য আৰু শৃংঙ্খলাবদ্ধ বজাই ৰখাত সহায়ক হৈছে। সৰ্থেবাৰী গাঁৱৰ দক্ষিণে অৱস্থিত পাঁচখন গাঁৱকলৈ গঠিত পঞ্চগ্ৰাম নামেৰে উপযুক্ত আৰ্হিৰ এটা গোট আছে। এই পাঁচখন গাঁও হ'ল — বেঙাপাৰা, বনিয়াকুছি, হালধিবাৰী, কামাৰপাৰা আৰু লাছিমা। উক্ত পাঁচখন গাঁৱৰ বিভিন্ন অনুষ্ঠান, সাংস্কৃতিক কাৰ্যাৱলী আৰু সামাজিক আচাৰ-পদ্ধতি আদিৰ পৰিচালনাত পঞ্চগ্ৰামে নীতিগতভাৱে সামূহিক ভূমিকা গ্ৰহণ কৰে। সৰ্থেবাৰী অঞ্চলৰ পৰম্পৰাগত এনে সমাজ গঠনৰ গণতান্ত্ৰিক ভেটি বৰ্তমান সময়ত স্বাভাৱিকতে বিৰল বুলিব পাৰি।

এটি বৃহত্তৰ অঞ্চল হিচাপে সৰ্থেবাৰীও বিভিন্ন ধৰ্মাৱলম্বী সম্প্ৰদায় তথা জনগোষ্ঠীয় লোকেৰে পৰিবেষ্টিত হৈ আছে। অৱশ্যে এই অঞ্চলত হিন্দু ধৰ্মাৱলম্বী লোকৰ সংখ্যাই সৰহ। বিভিন্ন ধৰ্মাৱলম্বী লোকে ৰাজহুৱা অনুষ্ঠান সমূহতো সহযোগ কৰে। হিন্দু ধৰ্মাৱলম্বী লোকসকলৰ মাজত বিভিন্ন সম্প্ৰদায় আছে। সৰ্থেবাৰী আৰু আমৃখোৱাত কলিতা সম্প্ৰদায়ৰ লোকেই সৰহ। ব্ৰাহ্মণ আৰু গোসাঁই সম্প্ৰদায়ৰ বেছিভাগেই পল্লা, কাৰাকুছি, গোমূৰা, বেঙাপাৰা আৰু হালধিবাৰীত বাস কৰে। সৰ্থেবাৰীৰ তামুলী চুপা, বনিয়াকুছিত কেওঁট সম্প্ৰদায় তথা বৈষ্ণৱ সম্প্ৰদায়, কামাৰপাৰাত কমাৰ সম্প্ৰদায়, চিনাদী আৰু বৰঘোপাত হীৰা আৰু কুমাৰ সম্প্ৰদায়, নসত্ৰ আৰু শ'লাত কায়স্থ সম্প্ৰদায়ৰ মানুহে নিজ নিজ বৃত্তিগত সহবাস কৰি আছে। মুছলমান লোক গোটেই অঞ্চলটোত সিঁচৰতি হৈ আছে যদিও শলা আৰু বেলবাৰীত মুছলমান সকলৰ প্ৰাধান্য বেছি দেখা যায়। সৰ্থেবাৰীৰ পশ্চিমাঞ্চলৰ জাৱিকুছি আদি গাঁৱত বড়ো জনগোষ্ঠীৰ লোকৰ বসতি দেখা যায়।

সৰ্থেবাৰী অঞ্চলৰ প্ৰধান জীৱিকা হ'ল কৃষি আৰু কুটিৰশিল্প। অৱশ্যে সময়ৰ পৰিবৰ্তনৰ লগে লগে সৰ্থেবাৰীৰো জীৱন-ধাৰণৰ পৰিৰ্বতন হৈছে। যান্ত্ৰিক জীৱন সভ্যতাত উদ্যোগ-ব্যৱসায় আৰু বৃত্তিমুখী শিক্ষাৰ প্ৰসাৰণৰ লগে লগে এই অঞ্চলৰ লোকসকল অধিক চাকৰিজীৱী হৈ পৰিছে। তথাপি সৰ্থেবাৰীৰ পৰম্পৰাগত কৃষি আৰু কুটিৰশিল্পই বৰ্তমানেও সাধাৰণশ্ৰেণীৰ জীৱনধাৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। বিশেষকৈ সৰ্থেবাৰীৰ জীৱন-ধাৰাৰ সৈতে ওতপ্ৰোতভাৱে বিজড়িত হৈ থকা কাঁহশিল্পই সৰ্থেবাৰীক জাতীয় জীৱনত এককভাবে চিনাকি দিয়াই নহয়, অসমৰ সাংস্কৃতিক ইতিহাসত ঐতিহ্যশীল কৰিও ৰাখিছে। তদ্পৰি বনিয়াকুছিৰ পিতলৰ শিল্পই অঞ্চলটোৰ অৰ্থনৈতিক জীৱনধাৰাক সুচল কৰাৰ উপৰি পিতলৰ শৰাই আৰু জাপিয়ে অসমৰ সংস্কৃতিকো বিশ্বস্পৰ্শা কৰি ৰাখিব পাৰিছে। আনহাতে বস্ত্ৰ-তাঁত শিল্প, বাঁহ-বেতৰ শিল্প তথা মৃৎশিল্পৰ জৰিয়তেও এই অঞ্চলটোৰ জীৱিকাৰ পথ প্ৰশস্ত হৈ আছে। বস্ত্ৰ-তাঁত শিল্পৰ ক্ষেত্ৰত বড়োসকল, মৃৎ শিল্পত চিনাদি, বৰঘোপা আদিৰ লোকসকল আৰু কম-বেছি পৰিমাণে সকলো সম্প্ৰদায়ৰে কিছুসংখ্যক লোকে বাঁহ-বেতৰ কৰ্মৰ আয়ৰ জৰিয়তে জীৱননিৰ্বাহ কৰি আছে।

সৰ্থেবাৰী অঞ্চলৰ সামাজিক আৰু সাংস্কৃতিক ইতিহাসত 'ৰাইজ মেল'ৰ এক বিশেষ তাৎপৰ্য আছে। কাৰণ 'ৰাইজ-মেল' ঐতিহাসিক ঘটনা হ'লেও ইয়াৰ গণতান্ত্ৰিক ভেটিয়েই সৰ্থেবাৰী অঞ্চলৰ সামাজিক আৰু সাংস্কৃতিক জীৱনত গভীৰ প্ৰভাৱ পেলাই আহিছে। ১৮৫৭ চনত হোৱা ভাৰতীয় চিপাহী বিদ্ৰোহে বৃটিছ চৰকাৰৰ অৰ্থনৈতিক ভেটি বহু পৰিমাণে শিথিল কৰি দিছিল আৰু

5849



ইয়াৰ ক্ষতিপূৰণৰ অৰ্থে ৰাইজৰ ওপৰত কৃষি ৰাজহ বৃদ্ধি কৰিবলৈ ইংৰাজসকলে উঠিপৰি লাগিছিল। অসমীয়া ৰাইজেও বৃটিছ চৰকাৰৰ এই নীতিৰ পৰিণাম ভোগ কৰিবলগীয়া হৈছিল। ফলস্বৰূপে বৃটিছৰ বিৰুদ্ধে কৰা বিদ্ৰোহত সৰ্থেবাৰী অঞ্চল বাৰুকৈয়ে উৎপীড়িত হৈছিল। বৃটিছৰ বিৰুদ্ধে 'ৰাইজ মেল' আৰু 'কৃষক বিদ্ৰোহ'ৰ জৰিয়তে তীব্ৰ গণ-আন্দোলন গঢ়ি উঠিছিল। এই আন্দোলনে দৰং জিলাৰ পথৰুঘাট, কামৰূপ জিলাৰ ৰঙিয়া আৰু সৰুক্ষেত্ৰী মৌজাৰ লছিমাৰ ওচৰৰ পানাগাঁও টুপত এক তীব্ৰ ৰূপ ধাৰণ কৰিছিল।[২] নগাঁওৰ "ফুলগুৰি ধেৱা"ও এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য। সৰ্থেবাৰী অঞ্চলতো ৰাইজ মেলৰ জৰিয়তে খাজনা বৃদ্ধিৰ তীব্ৰ প্ৰতিবাদ কৰিছিল। খাজনা নিব অহা মৌজাদাৰ মণ্ডলক অপমান কৰি ঘূৰাই পঠিয়াইছিল।[৩] বৃটিছ চৰকাৰে এই বিদ্ৰোহ দমন কৰিবলৈ সৰ্থেবাৰী অঞ্চলত মেল নিষিদ্ধ কৰি দিছিল। তথাপি অঞ্চলটোৰ কেইবা ঠাইতো লুকাই -চুৰকৈ ৰাইজে এই মেল পাতিছিল। অৱশেষত সৰ্থেবাৰীৰ দক্ষিণ ফালে থকা লছিমাৰ ওচৰৰ পানাগাঁওৰ টুপত বহা 'ৰাইজ মেল'ত তেতিয়াৰ মহকুমাধিপতি মাধৱ চন্দ্ৰ বৰদলৈ, ডেপুটি কমিছনাৰ মেককেব চাহাব উপস্থিত হৈ ৰাইজৰ ওপৰত কঠোৰ ব্যৱস্থা হাতত লৈছিল।[৪]

অসমৰ বিভিন্ন ঠাইত হোৱা কৃষক বিদ্ৰোহৰ সৈতে সৰ্থেবাৰী অঞ্চলৰ বিদ্ৰোহৰ পাৰ্থক্যগত দিশ হ'ল এই অঞ্চলৰ কৃষক-কঁহাৰ সকলো শ্ৰেণীৰ লোকে সংগঠিত হৈ বৃটিছৰ বিৰুদ্ধে উঠি পৰি লাগিছিল। এনে অৰ্থতেই অসমৰ ইতিহাসত সৰ্থেবাৰী অঞ্চলৰ বিদ্ৰোহ 'ৰাইজ মেল' হিচাপে পৰিচিত হোৱাৰ মূল কাৰণ। এই ক্ষেত্ৰত উল্লেখনীয় যে 'ৰাইজ মেল' বিদ্ৰোহত বিশেষভাৱে ভূমিকা গ্ৰহণ কৰিছিল সৰ্থেবাৰীৰ পুষ্পৰাম কঁহাৰ, যাৰ বাবে তেওঁ আটাইতকৈ দীৰ্ঘ সময় ধৰি জেল খাটিবলগীয়া হৈছিল। অৱশ্যে জেলৰ ভিতৰতো তেওঁ বৃটিছৰ নীতি অস্বীকাৰ কৰি নিজৰ বৃত্তি কঁহাৰৰ কাম কৰাৰহে আগ্ৰহ প্ৰকাশ কৰিছিল। অৱশেষত বৃটিছে তেওঁৰ চৰ্ত্ত মানি লৈ কাঁহৰ সাজ-বাচন গঢ়িবলৈ

---

২ "A no tax campaign an a vigorous scale was launched by the riots of Rangia and Lachima in the district of Kamrup and Patharughat in Darrang" — A letter issued to govt. 1869, Vol.38. No.118, No.252, MC Caba to the Commissioner of the Assam Valley, 12 January, 1894.

৩ "On 21 January 189, when a Mouzadar accompanied by a Mondal went to village Kapla, near Lachima in Sarukhetri mouza for collection of revenue both of them were severely assulted and the mouzadar died a few days afterwards." — Ibid.

৪ "The threatening attitudes of the riots in a subsequent mel compelled Mc Caba to arrive at Lachima on the 24th with a party of sepays of the 13th Bengal Native infantry"— Ibid.

অনুমতি দিছিল। জেলত তেওঁ যি অপূৰ্ব ধৰণৰ সাজ-বাচন গঢ়িছিল, সিয়েই পৰৱৰ্তী স্তৰত বিখ্যাত জেলকাঁহী, জেলবাটি হিচাবে পৰিগণিত হৈছিল। বৃটিছ চৰকাৰে তেওঁৰ এই কৰ্মৰ চমক দেখি তেওঁক সময়তকৈ আগতেই মুক্তিৰ ব্যৱস্থাও কৰিছিল।

সৰ্থেবাৰী অঞ্চলৰ এই 'ৰাইজ মেল'ৰ ঐতিহাসিক ঘটনাই এহাতে এই অঞ্চলৰ ৰাইজৰ দেশপ্ৰেমৰ সাক্ষ্য বহন কৰি আহিছে আৰু আনহাতে অসমৰ ৰাজনৈতিক ইতিহাসত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। সামূহিক দায়িত্বৰ এই পৰম্পৰাগত ভাবনাই ক্ৰমাগতভাবে বিভিন্ন ক্ষেত্ৰত বিস্তাৰ কৰি থকাৰ সাক্ষ্য হ'ল — বৰ্তমানেও এই অঞ্চলত প্ৰচলিত গাঁও সংগঠন পদ্ধতি। আনহাতে ১৯৪২ চনত মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা গণ আন্দোলনতো সৰ্থেবাৰী অঞ্চলৰ ৰাইজে অংশগ্ৰহণ কৰাৰ কথা প্ৰাসঙ্গিকভাৱে উল্লেখ কৰিব পাৰি। এই গণ আন্দোলনৰ দ্বাৰা এই অঞ্চলৰ বহু ব্যক্তিয়ে ভাৰতৰ স্বাধীনতা সংগ্ৰামত অৱতীৰ্ণ হৈ জীয়াতু ভোগাৰ অলেখ উদাহৰণ আছে।

সৰ্থেবাৰী অঞ্চলৰ সাংস্কৃতিক পৰিধি ব্যাপক আৰু বৈচিত্ৰ্যপূৰ্ণ। মূলতঃ সৰ্থেবাৰীৰ সংস্কৃতি মহাপুৰুষীয়া আদৰ্শৰে সঞ্জীৱিত। বৈষ্ণৱধৰ্মৰ আলো-ছায়াৰে বিচ্ছুৰিত এই অঞ্চলত বৰ্তমানেও বৰ্ত্তি থকা সত্ৰসমূহক কেন্দ্ৰ কৰিয়েই ইয়াৰ সাংস্কৃতিক পৰিবেশ বিশেষভাৱে গঢ় লৈছে। পূজা-উপাসনাৰ প্ৰাদুৰ্ভাব এই অঞ্চলত বৰ কম। ধৰ্মৰ ক্ষেত্ৰতো নাম-কীৰ্তনেই মুখ্যস্থান লাভ কৰিছে। সৰ্থেবাৰীৰ উত্তৰ-পূব কোণত অৱস্থিত গোমূৰা এখন উল্লেখযোগ্য মহাপুৰুষীয়া সত্ৰ। এই সত্ৰখন মাধৱদেৱে স্থাপন কৰিছিল। 'কথা গুৰুচৰিত'ৰ মতে ইয়াৰ পশ্চিমহাটীত মাধৱদেৱে ছয়মাহ চৈধ্য দিন আছিল।

ইয়াৰ ওচৰৰে পূবহাটীত শংকৰদেৱৰ নাতি চতুৰ্ভুজ ঠাকুৰৰ এখন সত্ৰ আছে। সৰ্থেবাৰীৰ পূবফালে অৱস্থিত কাৰাকুছিৰ পদশিলাত এখন সত্ৰ আছে। হৰিনাৰায়ণ দত্তবৰুৱা প্ৰকাশিত 'কথা গুৰুচৰিত'ত উল্লেখ কৰা অনুসৰি গোমূৰা সত্ৰত থাকোঁতে মাধৱদেৱে ওচৰত থকা ঠাইবোৰত ধৰ্ম প্ৰচাৰ কৰিবলৈ গৈ আল্লা নৈৰ পাৰৰ এটা শিলত বহি নিতৌ স্নান কৰিছিল। ফলত শিলটো ক্ষয় গৈছিল। সেই ক্ষয় যোৱা শিলটো উদ্ধাৰ কৰি কাৰাকুছিত পদশিলা সত্ৰ স্থাপন কৰা হয়। কাৰাকুছিৰ মেধিপাৰাৰ কীৰ্তনঘৰত আৰু পদশিলা সত্ৰত গুৰুজনাৰ তিথিত এতিয়াও ভাওনা আৰু বাৰগোপালৰ নাচ (নটুৱা নাচ) অনুষ্ঠিত হয়। সৰ্থেবাৰীৰ পৰা সাত কিলোমিটাৰ দূৰৰ পূব দিশত অৱস্থিত চৰাৱৰী গাঁৱত আন এখন সত্ৰ আছে। দৈত্যাৰি ঠাকুৰ বিৰচিত "গুৰুচৰিত" আৰু মহেশ্বৰ নেওগ সম্পাদিত

"বৰদোৱা গুৰুচৰিত"ত চৰাবৰি সত্ৰৰ উল্লেখ আছে।[৫] মহাপুৰুষীয়া সত্ৰৰ ভিতৰত সৰ্থেবাৰীৰ দক্ষিণ দিশৰ কাপলা বিলৰ উত্তৰপাৰত অৱস্থিত কামাৰপাৰা আৰু বেলবাৰী সত্ৰ উল্লেখযোগ্য। ৰামচৰণ ঠাকুৰৰ 'গুৰুচৰিত'ত উল্লেখ আছে যে শংকৰদেৱ আৰু মাধৱদেৱে আহোম ৰাজ্যৰ উৎপীড়নত তিষ্ঠিব নোৱাৰি কাপলা বিলৰ পাৰত ছয়মাহ থাকি এই সত্ৰ প্ৰতিষ্ঠা কৰিছিল। ৰামমল ঠাকুৰীয়াৰ – "শ্ৰীমন্ত শংকৰ লীলা মনোহৰ" পুথিতো এই কথাৰ উল্লেখ আছে।[৬]

সৰ্থেবাৰী গাঁৱত মহাপুৰুষীয়া চিন্তা-চৰ্চাৰ ক্ষেত্ৰ হিচাবে ১৯৫৭ চনত সত্ৰৰ আৰ্হিত হৰিদেৱ ধাম স্থাপন কৰা হৈছে। ইয়াত হৰিদেৱৰ জন্ম আৰু মৃত্যু তিথি পালন কৰাৰ লগতে হৰিদেৱৰ শিষ্য জগন্নাথৰো তিথি পালন কৰাৰ লগতে হৰিদেৱৰ শিষ্য জগন্নাথৰো তিথি পালন কৰা হয়। সৰ্থেবাৰীৰ পৰা তিনি কিলোমিটাৰ দক্ষিণত অৱস্থিত বনিয়াকুছি সত্ৰও এখন হৰিদেৱী সত্ৰ। সত্ৰখন অতি পুৰণি। সত্ৰখন হৰিদেৱৰ শিষ্য জগন্নাথদেৱে স্থাপন কৰে। মাঘ মাহৰ এক তাৰিখে অনুষ্ঠিত হোৱা 'ঘূৰানাম'[৭] সত্ৰখনৰ এক আকৰ্ষণীয় অনুষ্ঠান। এই নামত ওচৰৰ গাঁওসমূহৰ ভক্তসকলেও সহযোগ কৰে। এই অঞ্চলত থকা হালধিবাৰী সত্ৰও হৰিদেৱী সত্ৰ। হৰিদেৱৰ জোঁৱাই আৰু শিষ্য জগন্নাথৰ পুত্ৰ কপিলদেৱে ১৫৫০ খ্ৰীষ্টাব্দত সত্ৰখন স্থাপন কৰে। সত্ৰখনত অনুষ্ঠিত 'জগন্নাথৰ সভা' বিশেষভাৱে উল্লেখযোগ্য।

---

৫ "আত অনন্তৰে ক্ষেত্ৰি বিলাইতৰ লোক।
অনেক দিনৰ পৰা মাধৱদেৱক।।
কৰি কাবৌ কাকুতি ক্ষেত্ৰিক লাগি নিল।
চৰাবৰিত দেৱ মাধৱ ৰহিল।" — দৈত্যাৰি ঠাকুৰ
বিৰচিত গুৰুচৰিত – "মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু মাধৱদেৱ চৰিত" (সপ্তম অধ্যায়)

৬ "ধনভাগ এৰাইলা বৰভাগ এৰাইলা
ক্ষেত্ৰি বিলাইত শাইলা
কপালা বিলৰে দেখি স্বচ্ছ নীৰ
শংকৰ মোহিত ভৈলা।। ১৩১
বিলৰে পাৰৰে নুহি আতি দূৰে
উজনিৰ স্মৃতি আসিলা উভতি
ৰাখা নাৱ নিৰ্দ্দেশিলা।। ১৩২
.........................................
সত্ৰ হাটি পাতি তথাতে বসতি
কৰিলন্ত সৰ্বজনে।
বেলৰ শাৰী দেখি উপবন লেখি।
ৰচিলা হৰমোহন — (ৰামমল ঠাকুৰীয়া – "শ্ৰীমন্ত শংকৰ লীলা মনোহৰ")

৭ এই নামত ভক্তসকলে দুপৰীয়া থিয়নাম ধৰি নামঘৰৰ চাৰিওফালে সাতবাৰ ঘূৰি নাম শেষ কৰে।

দামোদৰপন্থীৰ সত্ৰৰ ভিতৰত উল্লেখযোগ্য হ'ল লছিমা, ব্যাসকুছি, ৰাউলী, নসত্ৰ, নামশলা, পল্লা আৰু বৰকাপলা সত্ৰ। ব্যাসকুছিৰ সত্ৰখন দামোদৰদেৰৰ শিষ্য ভট্টদেৱে (১৬২৫ খ্ৰীঃত) স্থাপন কৰে। প্ৰতি বছৰে ভট্টদেৱৰ মৃত্যু তিথিত পাঁচদিনীয়াকৈ সভা অনুষ্ঠিত হয়। দামোদৰদেৱৰ শিষ্য মনোহৰদেৱে এসময়ত শংকৰদেৱে পতা ফুলবাৰী (বৰ্তমানৰ নসত্ৰ) সত্ৰৰ লগতেই নতুনকৈ এখন সত্ৰ স্থাপন কৰে - সেই কাৰণেই ইয়াৰ নাম ন-সত্ৰ হয়। বৰ্তমান ইয়াতেই 'কৃষ্ণ গুৰুৰ সেৱাশ্ৰম' প্ৰতিষ্ঠা কৰা হৈছে। মনোহৰ দেৱৰ প্ৰতিষ্ঠিত আন এখন সত্ৰ হ'ল নামশলা সত্ৰ। এই সত্ৰৰ অস্তিত্বৰ এতিয়া লোপ পাইছে। সত্ৰখনৰ চিন স্বৰূপে নামশলা গাঁৱত সত্ৰৰ চুপা (সস্তৰ) এখন আছে। ইয়াতেই পৰম্পৰাগতভাৱে বছৰি 'বৰনাম' অনুষ্ঠিত হয়।[৮] এনেদৰেই সৰ্থেবাৰী অঞ্চলৰ চাৰিওফালে মহাপুৰুষীয়া, হৰিদেৱী আৰু দামোদৰপন্থীৰ সত্ৰ সিঁচৰতি হৈ আছে। সত্ৰসমূহে গাঁওবোৰ সু-সংবদ্ধ আৰু শৃঙ্খলাবদ্ধ কৰি তুলিছে। আনহাতে অঞ্চলটোৰ সামাজিক আৰু সাংস্কৃতিক দিশত বৈষ্ণৱধৰ্মৰ প্ৰভাৱ পৰাৰ মূলতেই হ'ল — এই সত্ৰসমূহ। সত্ৰসমূহৰ উপৰি গোমূৰা, সৰ্থেবাৰী, শলা, আমৃখোৰা, বনিয়াকুছি, হালধিবাৰী, লছিমা আদি গাঁৱত গোপালৰ থান আছে।

সৰ্থেবাৰী অঞ্চলৰ গাঁওসমূহৰ প্ৰত্যেক চুবুৰীত একোটাকৈ গোসাঁই ঘৰ আছে। সৰ্থেবাৰীৰ চুবুৰীবোৰত থকা গোসাঁই ঘৰৰ উপৰি সভাৰ খোলাত এটা ৰাজহুৱা গোসাঁইঘৰ আছে। এই গোসাঁই ঘৰ সমূহত নাম-প্ৰসঙ্গ হয়। হিন্দুধৰ্মৰ নিচিনাকৈ মুছলমান সম্প্ৰদায়ৰ কাৰণে সৰ্থেবাৰী, শলা, বেলবাৰী আদি গাঁৱত মছজিদ আছে।

সৰ্থেবাৰী অঞ্চলৰ সামাজিক, সাংস্কৃতিক জীৱনধাৰাক অভিন্ন ৰূপত সঞ্জীৱিত কৰি ৰাখিছে অঞ্চলটোৰ বিভিন্ন লোকউৎসৱৰ পৰম্পৰাই। লোক-সংস্কৃতিৰ অন্তৰ্গত লোক-উৎসৱ অনুষ্ঠানসমূহে এই অঞ্চলৰ জনজীৱনৰ ৰুচি আৰু অভিব্যক্তিৰ সাৰ্থৰ ৰূপ প্ৰতিবিম্বিত কৰিছে। লোক-উৎসৱ সমূহৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য উৎসৱ হ'ল - 'সৰ্থেবাৰীৰ সভা'। সৰ্থেবাৰীৰ সভাই ধৰ্মীয় আৰু সামাজিক দিশত গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰি আহিছে। আধ্যাত্মিক চিন্তা-চৰ্চাৰে সমাজত সাম্য, মৈত্ৰী আৰু ভ্ৰাতৃত্ববোধ সৃষ্টিয়েই সভাৰ অন্তৰ্নিহিত উৎস। প্ৰায় দুশ বছৰৰ পৰায়েই পৰম্পৰাগতভাৱে এই সভা অনুষ্ঠিত হৈ আহিছে। প্ৰতি বছৰে মাঘী পূৰ্ণিমাত পাঁচদিন ব্যাপি এই সভা অনুষ্ঠিত হয়। এই

---

৮ প্ৰফুল্ল তামুলী আৰু দক্ষেশ্বৰ ডেকা সম্পাদিত - স্মৃতিগ্ৰন্থ 'ভোৰতাল' - অসম সাহিত্য সভা, ৬১তম অধিবেশন, সৰ্থেবাৰী, শৰৎ বৰ্মনৰ প্ৰবন্ধ ঃ "সৰুক্ষেত্ৰীৰ সমন্বয়ৰ প্ৰতীক — নামশলাৰ বৰনাম", পৃঃ৪৮।

কেইদিন সভাৰ গোসাঁইঘৰত নাম কীর্তনেৰে মুখৰিত হৈ থাকে। সভাৰ উপাস্য দেৱতা হ'ল 'জগন্নাথ মহাপ্রভু'। মাঘী পূর্ণিমাৰ দিনাখন সভাস্থলীৰ বৰ গোসাঁইৰ ঘৰত হোম পোৰাৰ লগতে ভাগৱত পাঠ কৰা হয়। সভাৰ আটাইকেইদিনতে ধর্মীয় আচাৰ-ৰীতিৰ লগতে এখন বৃহৎ মেলাৰো আয়োজন কৰা হয়। এই মেলা খাদ্য সম্ভাৰৰ পৰা সাজ-সজ্জা, আচবাব আদি সর্বদিশতে বিস্তৃত হৈ থাকে। তদুপৰি লোক বিনোদনৰ বাবে যাত্ৰাপাৰ্টী, থিয়েটাৰ, ঢুলীয়া ইত্যাদি নাট্যানুষ্ঠানৰ পয়োভৰেৰে সভাৰ সময়ছোৱা মুখৰিত হৈ থাকে। সভাৰ পোন্ধৰ দিন আগৰ পৰা অনুষ্ঠিত হৈ অহা 'সভা মেল'তেই বছৰটোৰ বাবে ৰাইজৰ অনুশাসন, নিয়মানুবর্তিতা আৰু শৃংখলাবদ্ধ জীৱন-পদ্ধতিৰ গণতান্ত্রিক ভেটি স্থাপন কৰা হয়। এই কাৰণে সভাৰ লগত বিজড়িত 'সভা মেল' তাৎপর্য্যপূর্ণভাবেই সামাজিক দিশত উল্লেখনীয়। সৰ্থেবাৰীৰ উপৰিও এই অঞ্চলৰ আমৃখোৱা, ব্যাসকুছি, চেঙা আদি গাঁৱতো সভা উৎসৱৰ পৰম্পৰা আছে। এই গাঁওসমূহত অনুষ্ঠিত সভাৰো ধর্মীয় আৰু আধ্যাত্মিক পৰম্পৰাৰ ক্ষেত্রত সৰ্থেবাৰী সভাৰ সৈতে স্বাভাৱিক সাদৃশ্য আছে।

সৰ্থেবাৰী অঞ্চলৰ ধর্মীয় পৰম্পৰাৰ বিশেষ উৎসৱ হ'ল দৌল (দেউল) উৎসৱ। ফাগুনৰ পূর্ণিমাত অনুষ্ঠিত দেউল উৎসৱ তিনিদিনীয়াকৈ পালন কৰা হয়। প্ৰথম দিনা গোসাঁইঘৰৰ পৰা গোসাঁই উলিয়াই দেউলৰ বেদীত স্থাপন কৰা হয়। দ্বিতীয় দিনা পুৰোহিতে পূজা কৰি হোম পোৰে। শেষৰ দিনা স'ৰি বা সুৱেৰি উৎসৱ পালন কৰা হয়। সৰ্থেবাৰীৰ নিচিনাকৈ হালধিবাৰী, বনিয়াকুছি, আমৃখোৱা আদি গাঁৱতো দেউল উৎসৱ পালন কৰা হয়।

পৰম্পৰাগতভাৱে পালন কৰি অহা সৰ্থেবাৰীৰ পাউৰা স'ৰি উৎসৱ বিশেষভাৱে উল্লেখযোগ্য। বহাগ বিহুৰ সাত বিহুৰ দিনা এই উৎসৱ পালন কৰা হয়। এই উৎসৱত গাঁৱৰ পৰা ওখ বাঁহ বিচাৰি আনি ৰং-বিৰঙৰ কাপোৰ মেৰিয়াই থিয় কৰোৱা হয়। গাঁৱৰ সকলোৱে মিলি নাম-কীর্তন কৰাৰ পিচত ৰাইজৰ উদ্দেশ্য কৰি হৰিধ্বনি দিয়া হয় আৰু পাউৰা স'ৰি উৎসৱতেই বহাগ মাহত অনুষ্ঠিত 'এক পইচাৰ নাম'ৰ দিন ঠিক কৰা হয়।[৯] 'এক পইচাৰ নাম'ৰ জৰিয়তে গাঁৱখনৰ লোক গণনা কৰা হয়। আগতে জনমূৰি এক পইচাকৈ তুলি এই নাম ধৰা হৈছিল। বর্তমান বস্তুৰ দামলৈ লক্ষ্য কৰি পচিশ পইচাকৈ তোলা হয়। নাম শেষ হোৱাৰ পিচত পাঁচখেল গঞা গয়ৰহৰ মজুমদাৰে নামৰ জমা খৰছৰ লগতে গাঁওখনৰ জনসংখ্যা ৰাইজক জনায়।

---

৯ প্রফুল্ল তামুলী আৰু দক্ষেশ্বৰ ডেকা সম্পাদিত - 'ভোৰতাল' - স্মৃতিগ্রন্থ - অসম সাহিত্য সভা - ৬১তম অধিবেশন সৰ্থেবাৰী - লম্বোদৰ চৌধুৰীৰ প্রবন্ধ সৰ্থেবাৰীৰ এক পইচাৰ নামৰ ইতিবৃত্ত, পৃঃ৪৬

সৰ্থেবাৰী অঞ্চলৰ আন এক ধৰ্মীয় অনুষ্ঠান হ'ল - বাসন্তী পূজা। সৰ্থেবাৰী আৰু ইয়াৰ পৰা দক্ষিণ পশ্চিম দিশত অৱস্থিত কাপলা গাঁৱত বাসন্তী পূজা অনুষ্ঠিত কৰা হয়। ধৰ্মীয় উৎসৱৰ ভিতৰত জন্মাষ্টমী আৰু পচতি উৎসৱ এই অঞ্চলৰ গোসাঁইঘৰ সমূহত ৰং-ৰহইচৰে পালন কৰা হয়। জন্মাষ্টমী তিথিত নাওখেলৰ দৰে খেল-ধেমালিৰো আয়োজন কৰা হয়। বৰ্তমানে চাৰিওফালে মথাউৰি, ৰাস্তা আদি নিৰ্মাণ হোৱাৰ ফলত নদীৰ পানী নোহোৱা হৈছে। ফলত নাওখেলৰ পয়োভৰ কিছু কমি আহিছে। সৰ্থেবাৰী, আমুখোৱা আদি গাঁৱত দুৰ্গাপূজাৰ নৱমীৰ দিনাখন ছোৱালীবোৰে লগলাগি বেলেগ বেলেগে গোট হৈ দেবী পূজা কৰে। অৱশ্যে নামশলা আৰু বেঙাপাৰা গাঁৱত পাঁচদিনীয়াকৈ দুৰ্গাপূজা পালন কৰা হয়। সৰ্থেবাৰীৰ পশ্চিমফালে থকা হীৰাবড়ী গাঁৱত আৰু দক্ষিণফালে অৱস্থিত বনিয়াকুছি গাঁৱত পঞ্চগ্ৰামৰ উদ্যোগত সাতদিনীয়াকৈ ৰাস পূজা অনুষ্ঠিত হয়। এইবোৰৰ উপৰিও অঞ্চলটোত ধৰ্মীয় অনুষ্ঠানৰ ভিতৰত লক্ষ্মীপূজা, মাৰৈ পূজা, থল দেৱতাৰ পূজা, শ্যামা পূজা, শিৱ পূজা, গো-পূজা আদি উল্লেখযোগ্য।

জীৱনৰ বিভিন্ন স্তৰৰ লগত জড়িত পাৰিবাৰিক উৎসৱসমূহো বিভিন্ন ৰীতি-নীতিৰে এই অঞ্চলত পালন কৰা হয়। সন্তান গৰ্ভত থকা অৱস্থাত জেউৰা খুওৱা, সন্তানৰ জন্মোৎসৱ, চূড়াকৰণ, অন্নপ্ৰাসন, ছোৱালীৰ শান্তি বিয়া (ধুৰেণী), বিবাহ লগতে মৃত্যুৰ লগত জড়িত শ্ৰাদ্ধ, দহা, ভোজ আদি উল্লেখযোগ্য সামাজিক অনুষ্ঠান। আনহাতে কৃষিৰ লগত জড়িত ধানৰ গোচ পোতা, আগ অনা, ন-খোৱা আদি উৎসৱ পৰিয়ালবোৰত ব্যক্তিগতভাবে পালন কৰা হয়। নামনি অসমৰ অন্য অঞ্চলৰ নিচিনাকৈ সৰ্থেবাৰী অঞ্চলতো আঘোনৰ পূৰ্ণিমাত ল'ৰাবোৰে মহোহো উৎসৱ পালন কৰে। বিশেষভাবে চ'ত মাহত খৰাং বতৰত বৰষুণ আহিবৰ কাৰণে মহিলাসকলে লগলাগি ভেকুলী বিয়াৰো আয়োজন কৰে।

সৰ্থেবাৰী অঞ্চলৰ হিন্দু সম্প্ৰদায়ৰ নিচিনাকৈ মুছলমান সম্প্ৰদায়ৰ লোকেও মহৰম, ঈদ, চবেবৰাত আদি উৎসৱ পালন কৰে। বৰঘোপা আৰু সৰ্থেবাৰী গাঁৱৰ পশ্চিমফালে থকা বড়ো সম্প্ৰদায়ৰ লোকসকলে খেৰাই পূজা আৰু বাথৌ পূজা কৰে। এওঁলোকে মাঘমাহত দোমাহী আৰু বহাগমাহত বৈসাগু উৎসৱ পালন কৰে।

লোক-উৎসৱৰ নিচিনাকৈ সৰ্থেবাৰী অঞ্চলৰ লোকসাহিত্যৰ অন্তৰ্গত লোকগীত, প্ৰবাদ, ফকৰা- যোজনা, সাধু, জনশ্ৰুতি, সাঁথৰ আদিত সৰ্থেবাৰী অঞ্চলটোৰ পৰম্পৰাগত সমাজ জীৱনৰ স্বৰূপ প্ৰতিফলিত হৈছে। এই ক্ষেত্ৰত অঞ্চলটোৰ বিভিন্ন উৎসৱৰ লগত জড়িত গীতসমূহ

উল্লেখযোগ্য। উদাহৰণ স্বৰূপে দৌলৰ গীত, পাউৰী স'ৰিৰ গীত, সাত শাক তোলা গীত, দেৱী পূজাৰ গীত, ধুৱেনী গীত, বিয়াৰ গীত, ম'হোহো গীত আদি উল্লেখ কৰিব পাৰি। লোকগীতসমূহৰ সুৰ আৰু ভাষাৰ ক্ষেত্ৰত থকা স্থানীয় বৈশিষ্ট্য বিশেষভাবে মনকৰিবলগীয়া। অঞ্চলটোৰ মুছলমান সম্প্ৰদায়ৰ মাজত জিকিৰৰ প্ৰচলন আছে।

সৰ্থেবাৰী অঞ্চলৰ লোক-পৰিবেশ্য কলাইও অঞ্চলটোৰ সাংস্কৃতিক ঐতিহ্য বহন কৰি আহিছে। এই ক্ষেত্ৰত ঢুলীয়া, ভাৱৰীয়া, ওজাপালি, থিয়নাম, নাগাৰাৰ নাম, ভাওনা আদিৰ কথা উল্লেখ কৰিব পাৰি। অঞ্চলটোৰ সত্ৰসমূহত অংকীয়া নাট আৰু ভাওনা অনুষ্ঠিত হয়। এসময়ত পল্লা, ব্যাসকুছি, লছিমা আদি গাঁৱত ভাওনাৰ পৰম্পৰা আছে। আনহাতে সৰ্থেবাৰীৰ ওচৰৰ কৈহাটী, বৰবিলা, বনিয়াকুছি আদি গাঁৱত ঢুলীয়াৰো পৰম্পৰা আছে। এওঁলোকে মানুহক আনন্দৰ খোৰাক যোগায়। নাম-কীৰ্তনত এই অঞ্চল বিখ্যাত।[১০] কামাৰপাৰা, ভকুৱাটেপা, ব্যাসকুছি আদি গাঁৱত ওজাপালি অনুষ্ঠান আছে। নামৰ দৰে খোল-তাল বজাই সংকীৰ্ত্তন গোৱা প্ৰথাও এই অঞ্চলত আছে।

সামগ্ৰিকভাৱে ওপৰত উল্লিখিত সাংস্কৃতিক ক্ষেত্ৰসমূহৰ ব্যাপকতাই সৰ্থেবাৰী অঞ্চলৰ সামাজিক জীৱনধাৰাৰ ভেটি সমৃদ্ধ কৰি আহিছে। পৰ্যবেক্ষণশীল দৃষ্টিৰে বিচাৰ কৰিলে সৰ্থেবাৰী অঞ্চলৰ সমাজ-সংস্কৃতিৰ বৈচিত্ৰ্যপূৰ্ণ অভিব্যক্তিত এক আধ্যাত্মিক চেতনা সঞ্জীৱিত হৈ থকাটো পৰিলক্ষিত হয়। বিশেষকৈ সংগঠন পদ্ধতি আৰু পঞ্চ প্ৰধানৰ অনুশাসনৰ আনুগত্য, সামাজিক ৰীতি-নীতি মানি লোৱাৰ স্বতঃস্ফুৰ্ত্ত দায়বদ্ধতা তথা উৎসৱ-পাৰ্বণৰ সামূহিক গণতান্ত্ৰিকতাত ভাৰতীয় পাৰমাৰ্থিক ভাবনাৰে প্ৰলুৱদ্ধিত সাম্য-মৈত্ৰীৰ ঐক্য বাৰুকৈয়ে অনুভৱ কৰিব পাৰি। এই কাৰণেই সৰ্থেবাৰী অঞ্চলৰ সমাজত বৰ্তমানেও স্বাভাৱিক নিয়মানুবৰ্তিতা আৰু জনজীৱনৰ চিৰন্তন সৰলতা লক্ষ্য কৰা যায়। সামাজিক জীৱনধাৰাৰ এনে ৰুচিবোধে সৰ্থেবাৰীৰ সাংস্কৃতিক ভেটিক শৈল্পিক ৰূপত নান্দনিকত্ব প্ৰদান কৰাৰো মূল কাৰণ।

১০ 'ব্যাসকুছিৰ দিহানাম, বৰকাপলাৰ থিয়নাম, বৈনাকুছিৰ ঘূৰানাম, গোমূৰাৰ পালনাম, সৰ্থেবাৰীৰ বৰনাম, নামশালাৰ ৰাজহুৱা নামৰ শব্দে আজিও আকাশ কপে' ভবানন্দ ডেকা - ' 'চাউল খোৱাৰপাৰৰ সৰুক্ষেত্ৰীৰ সত্ৰ সংস্কৃতি" দৈনিক অসম (জোনাকী বাট) ২৩ ডিচেম্বৰ, ২০০০, পৃঃ২

## তৃতীয় খণ্ড

# সৰ্থেবাৰী অঞ্চলৰ ভৌতিক সংস্কৃতি ঃ কাঁহশিল্প

সাধাৰণতে সংস্কৃতিয়ে মানুহৰ দৈনন্দিন জীৱনধাৰাৰ বিচিত্ৰতাকে সূচায়। ব্যাপক ৰূপত কোনো এক বিশেষ সমাজৰ জনসাধাৰণৰ নিজস্ব আচাৰ-ব্যৱহাৰ, ধৰণ-কৰণ আৰু জীৱিকা নিৰ্বাহৰ পদ্ধতিটোকে সংস্কৃতিৰ স্বৰূপ হিচাপে অনুভৱ কৰিব পাৰি। সেয়ে বিভিন্ন সম্প্ৰদায়ৰ আৰ্থসামাজিক কাৰ্যবলীয়ে আচাৰ-ৰীতি, শাৰীৰিক, মানসিক আচৰণ আৰু আৰ্থ-সামাজিক সমাজ-সংস্কৃতিৰ অন্তৰ্ভুক্ত হয়। কুটিৰ শিল্প আৰু অন্যান্য হস্তশিল্প সমূহ একোখন জনসমাজৰ পৰম্পৰাগতভাৱে জীৱনৰ বাহক হোৱা পৰিলক্ষিত হয়। এনে শিল্প সমূহে এহাতে চহাজীৱনৰ অৰ্থনৈতিক চাহিদা পূৰণ কৰে আৰু আনহাতে একোখন সমাজৰ পৰম্পৰাগত সমাজৰ স্বৰূপ নিৰূপিত কৰে। সৰ্থেবাৰী অসমৰ এনে এখন গাঁও য'ত কুটিৰশিল্প আৰু হস্তশিল্প সমূহে পৰম্পৰাগত সংস্কৃতিক প্ৰবহমান কৰি ৰাখিছে। কাঁহশিল্পৰ বাবে অসমৰ সৰ্বত্ৰ জনাজাত সৰ্থেবাৰী অঞ্চলৰ জনসমাজে পৰম্পৰাগতভাবে কাঁহশিল্পৰ ওপৰত ভিত্তি কৰিয়েই জীৱননিৰ্বাহ কৰি আহিছে। সৰ্থেবাৰী যদিও কাঁহশিল্পৰ পৰম্পৰাগত উৎস, তথাপি বৰ্ত্তমানে কাঁহৰ সামগ্ৰী সমূহ অসমীয়া সমাজৰ সমূহীয়া সম্পদ হিচাবেহে গ্ৰাহ্য হৈছে আৰু এই সামগ্ৰী সমূহে অসমীয়া সংস্কৃতিৰ বৃহত্তৰ পৰিসৰত এক বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

পৰম্পৰাগত লোকজীৱনৰ দৈনন্দিন ব্যৱহাৰ্য বস্তুৰ নিৰ্মাণ কৌশলৰ প্ৰক্ৰিয়াই ভৌতিক সংস্কৃতি। ভৌতিক সংস্কৃতিক লোকজীৱনৰ প্ৰাকৃতিক জীৱন (Physical folk-life) বুলিবও পাৰি। পৰম্পৰাআশ্ৰয়ী সমাজত পুৰুষ-স্ত্ৰী আদিয়ে কেনেকৈ ঘৰ-দুৱাৰ নিৰ্মাণ কৰে, কেনেকৈ কাপোৰ বোৱে অথবা খাদ্য-দ্ৰব্য ৰান্ধে, খেতি-বাতি কৰে; মাছ-কাছ পোহে, মাটি-পানীৰ ব্যৱস্থা কৰে, যন্ত্ৰপাতি নিৰ্মাণ কৰে, সাজ-সৰঞ্জাম, বাচন-বৰ্তন প্ৰস্তুত কৰে আদি চৰ্চাই ভৌতিক সংস্কৃতিৰ প্ৰধান উপজীব্য।[1] ভৌতিক সংস্কৃতিৰ শ্ৰেণীসমূহ হ'ল -

(ক) লোক হস্তশিল্প (Folk Craft)

(খ) লোক কলা (Folk Art)

1. R.M. Dorson (ed) : Folklore and Folk-life, Introduction, p.3

(গ) স্থপতি কলা (Folk Architecture)

(ঘ) লোক আভৰণ★(Folk Costume)

(ঙ) ৰন্ধন প্ৰণালী (Folk Cookery)

**লোক শিল্প ঃ** সভ্যতাৰ ক্ৰমবিকাশত মানুহৰ কৰ্মপ্ৰিয় সহজাত প্ৰকৃতিৰ সৃজনী প্ৰতিভা আৰু কলাসুলভ মনৰো বিকাশ হ'ব ধৰিছে। তাৰ ফলতেই লোকশিল্পৰ জন্ম। লোকশিল্প জীৱিকানিৰ্বাহৰ লগত জড়িত যদিও ই নান্দনিক উদ্দেশ্যও সাধন কৰে। লোকশিল্প সাধাৰণতে বংশ পৰম্পৰা সূত্ৰে জন্মগতভাবেই শিকি পেলোৱা হয় আৰু সঁজুলি ব্যৱহাৰ কৰি ঘৰতেই তৈয়াৰ কৰা হয়। লোকশিল্পই এটা জাতিৰ সাংস্কৃতিক ঐতিহ্য বহন কৰে। সৰ্থেবাৰী অঞ্চলৰ হস্তশিল্পৰ ভিতৰত কাঁহশিল্প আৰু পিতলশিল্প উল্লেখযোগ্য যদিও এই অঞ্চলৰ চিনাদী গাঁৱত মৃৎশিল্প আৰু কামাৰপাৰা গাঁৱত কমাৰশিল্পৰ পৰম্পৰা কিছু পৰিমাণে দেখা যায়। চিনাদী গাঁৱত হীৰা আৰু কেওট সম্প্ৰদায়ৰ লোকে মাটিৰ বিভিন্ন পাত্ৰ তৈয়াৰ কৰি জীৱননিৰ্বাহ কৰি আছে। এওঁলোকৰ দৈনন্দিন জীৱনৰ লগতে উৎসৱত ব্যৱহৃত কলহ, টেকেলি, চৰু, চাকি, ঘট, পাইলা আদি তৈয়াৰ কৰে।

কামাৰপাৰা আৰু বৰকাপলা গাঁওত কমাৰসকলে লোৰে দা, কটাৰী, কোৰ, কুঠাৰ আদি কিছুপৰিমাণে তৈয়াৰ কৰি এই শিল্পটো জীয়াই ৰাখিছে। সৰ্থেবাৰী অঞ্চলত এসময়ত নাওৰ প্ৰাধান্য আছিল। চাৰিওফালে বিলেৰে পৰিপূৰ্ণ আৰু দ ঠাইৰ কাৰণে বাৰিষা বেছিভাগেই মানুহে নাওত উঠি অহা-যোৱা কৰাৰ উপৰিও পছ চিকাৰ, মাছ মৰা আদিতো নাও ব্যৱহাৰ কৰিছিল। এই অঞ্চলৰ আভিজাত্য পৰিয়ালত ডাঙৰ ডাঙৰ খেলৰ নাও বিশেষ ধৰণেৰে তৈয়াৰ কৰা হৈছিল। কাঠশিল্পৰ লগত জড়িত বিশেষভাবে আমৃখোৱা গাঁৱত সূতৰ সকলে নাও সাজিয়েই জীৱন-নিৰ্বাহ কৰিছিল। ইয়াৰ উপৰিও বাঁহৰ পৰা কুলা, চালনী, খৰাহী আদি তৈয়াৰ কৰাৰ উপৰিও মাছমৰা সঁজুলিও তৈয়াৰ কৰি আহিছে। এই অঞ্চলত বস্ত্ৰশিল্পৰ পৰম্পৰাও চলি আহিছে। প্ৰায়বোৰ ঘৰতেই একোখনকৈ তাঁতশাল আছেই। বহাগ বিহুত তিৰোতাসকলে নিজ হাতেৰে বিহুৱান (বিহান) ব'ই পৰিয়ালৰ লোকক আৰু আত্মীয়-স্বজনক দিয়ে। ছোৱালী ডাঙৰ হ'লে বিয়াৰ কাৰণে আগতীয়াকৈ কাপোৰ বই থবই। বিয়াৰ গীততো এই কথাৰ উল্লেখ আছে –

"মাইৰে কাপোৰত বিলাতী ৰং
খুজি অনা বুলি কচ্ছিলি খং
খুজিতো অনা নাই ঘৰতে আছে
বোৱনী মায়েৰাই বুই থৈছি আগে।"

দুৰ্গা পূজাৰ সময়ত সৰ্থেবাৰী অঞ্চলত ছোৱালীবিলাকে দেবী পূজা কৰে। পূজাত ছোৱালীবোৰে একেদিনাই বই উলিওৱা সৰু সৰু ফুল বচা কাপোৰ (ফুলৰ কানি) দেৱীক অৰ্পণ কৰে। তাকে কৰিলে ভাল বোৱনী হ'ব বুলি বিশ্বাস কৰা হয়। মাঙ্গলিক উৎসৱত তিৰোতাসকলে বোৱা আনাকাটা কাপোৰ ব্যৱহাৰ কৰা হয়। এনেদৰে সৰ্থেবাৰী অঞ্চলত বস্ত্ৰশিল্পৰ পৰম্পৰাও বৰ্তি আছে।

**পিতল শিল্প ঃ** সৰ্থেবাৰী অঞ্চলত চলি অহা আন এবিধ উল্লেখযোগ্য শিল্প হ'ল পিতলশিল্প। পিতল এবিধ মিশ্ৰ ধাতু। তামৰ (Copper) লগত দস্তা (Zinc) মিহলাই এইবিধ ধাতু তৈয়াৰ কৰা হয়। খ্ৰীঃ ৮ম শতিকাত তিৰ্ব্বত, নেপাল আদি ঠাইত কিছুমান ব্ৰঞ্জৰ মূৰ্তি পোৱা গৈছিল। ইয়াৰ লগে লগে অসমতো পিতলেৰে নিৰ্মিত বৌদ্ধ দেৱ-দেৱীৰ মূৰ্তিও পোৱা গৈছিল। প্ৰদীপ চলিহাই তেখেতৰ 'পুৰণি অসমৰ কাৰিকৰী শিল্প' গ্ৰন্থখনত (পৃঃ ৩১) উল্লেখ কৰিছে যে বুৰঞ্জী মতে ১৫৩২ খৃঃ দিকৰই মুখৰ ৰণত হাৰি বন্দী হৈ অসমত ৰৈ যোৱা মৰিয়া সৈন্যখিনিয়েই পিচলৈ ৰজাৰ উৎসাহত পিতল শিল্পৰেই জীৱন-নিৰ্বাহ কৰে।

সৰ্থেবাৰী অঞ্চলৰ হালধিবাৰী আৰু বনিয়াকুছি গাঁৱত পিতলশিল্প পৰম্পৰাগত ভাবে এতিয়াও চলি আছে। বৰ্তমান শিল্পীসকলে পিতল নিজে তৈয়াৰ নকৰি বাহিৰৰ পৰা অনা ঢাৰি পিতল (চিত পিতল) কাটি লৈ জোৰা লগাই বিভিন্ন বাচন তৈয়াৰ কৰে। জোৰা দিয়াৰ ক্ষেত্ৰত তেওঁলোকে বিশেষ পদ্ধতিৰে তৈয়াৰ কৰা পান ব্যৱহাৰ কৰে। শৰাই, কলচী, কলহ, গাগৰি আদি পিতলেৰে নিৰ্মিত বাচন-বৰ্তনসমূহ চিত পিতল কাটি জোৰা লগাইহে তৈয়াৰ কৰা হয়। বনিয়াকুছি আৰু হালধিবাৰী গাঁৱৰ পিতলশিল্প শৰাইশিল্প বুলি বিখ্যাত। কাঁহৰ বাচন ভাঙিলে জোৰা দিব নোৱাৰি। কিন্তু পিতলৰ বাচন ফাটিলে পানৰ সহায়েৰে জোৰা লগাব পাৰি।

পান প্ৰস্তুত কৰিবলৈ প্ৰথমে পিতল গুড়ি কৰি লৈ তিনিভাগ পিতলৰ গুড়িৰ লগত এভাগ দস্তা মিহলাই মুহিত দি জুইত গলাই লোৱা হয়। পিচত সেইখিনি চেঁচা হ'বলৈ দি পুনৰ

গুড়ি কৰা হয়। জোৰা লগাবৰ সময়ত সেই গুড়িখিনিৰ লগত সুৰাগা মিহলাই জুইত তাপ লগাই দিয়া হয়।

এই অঞ্চলৰ লোকসকলে শৰাইৰ উপৰিও মন্দিৰৰ কলচী, জাপি, ট্ৰে, ধুপদানী, গাছা (গোসাঁইঘৰত ব্যৱহাৰ কৰা), কলহ, চৰিয়া আদি তৈয়াৰ কৰি আহিছে।

**সৰ্থেবাৰীৰ ঐতিহ্য আৰু কাঁহশিল্পৰ পৰম্পৰা ঃ**

পৰম্পৰাগতভাবেই চলি অহা কাঁহশিল্পই হ'ল সৰ্থেবাৰীৰ প্ৰধান জীৱিকা। এই সম্পৰ্কে লোকোক্তিও আছে।

"সৰ্থেবৰীয়া লোটা,
হাজেলীয়া ফোটা।
মুৰকোণীয়া জাপি,
শুৱালকুচিয়া আপি।"

কাঁহ শিল্পৰ পৰম্পৰাৰ ক্ষেত্ৰত বিভিন্নজনৰ মতামত সমূহ চালে সৰ্থেবাৰীৰ নামটোৰ কথাও শিল্পটোৰ লগত জড়িত থকা বুলি অনুমান কৰাৰ থল আছে। প্ৰচলিত মত অনুসৰি ৭ম শতিকাত কামৰূপৰ ৰজা ভাস্কৰবৰ্মাই কনৌজৰ ৰজা হৰ্ষবৰ্দ্ধনলৈ উপহাৰ স্বৰূপে পঠোৱা কাঁহৰ বাচনসমূহৰ লগত এজন শিল্পীও গৈছিল। সেই দলটোৰ ভিতৰত এই ঠাইৰ সতনাথ নামৰ এজন শিল্পীও আছিল। তেওঁ কনৌজত আদৰ পাই তাতেই ৰই যায় আৰু বৌদ্ধধৰ্ম গ্ৰহণ কৰি "থেৰ"ৰ শাৰীত উঠে। বুঢ়া বয়সত তেওঁ লগৰ কেইজনমান শিষ্যৰ লগত পুনৰ নিজ ঠাইলৈ ঘূৰি আহে। তেতিয়া আন মানুহে তেওঁলোকে থাকিবলৈ লোৱা ঠাইখিনিক সত-থেৰ বাৰী বুলি ক'বলৈ ধৰিলে। এই সত-থেৰ বাৰীয়েই শেষত গৈ সৰ্থেবাৰী হয়।[১] সৰ্থেবাৰী নামটোৰ প্ৰাচীনতাৰ ক্ষেত্ৰত "সাৰ্থবাহ" শব্দটোৰ কথা উল্লেখ কৰা হৈছে। সংস্কৃত ভাষাত "সাৰ্থ" শব্দটোৰ অৰ্থ "পণ্য"। "সাৰ্থবাহ" শব্দটোৱে এঠাইৰ পৰা আন ঠাইলৈ যোৱা পণ্যবাহী দল। প্ৰাচীন কামৰূপৰ এই ঠাই ডোখৰ বাণিজ্যৰ কেন্দ্ৰ হিচাবে লৈ "সাৰ্থয়েই" শেষত সৰ্থেবাৰী হ'লগৈ।[২] এই পণ্যবাহী দলটো কাঁহৰ ব্যৱসায়ী দল বুলি অনুমান কৰিব পাৰি।

---

১. ভূপেন্দ্ৰ নাথ চৌধুৰী ঃ "কাঁহশিল্পৰ গাঁও সৰ্থেবাৰী" — "কোহিৰাম দাস জন্ম শতবাৰ্ষিকী স্মৃতি গ্ৰন্থ, চেপ্তেম্বৰ, ১৯৮২। পৃঃ ৯০।

২. আমাৰ প্ৰতিনিধি "৯ম সংখ্যা (অৰ্থশাস্ত্ৰী চ'ৰা) সম্পাদনা - ভূপেন হাজৰিকা, ১১৯২ পৃঃ

আহোম আৰু কোচৰজা সকলে কাঁহশিল্পক ৰাজকীয় মৰ্যাদা দিছিল। কঁহাৰসকলেও ৰজাঘৰীয়া পৃষ্ঠপোষকতা লাভ কৰিছিল। সৰ্থেবাৰীৰ ˚জীউধন কঁহাৰৰ দক্ষতাত মুগ্ধ হৈ আহোম ৰজা শিৱসিংহই "চৌধুৰী" উপাধি আৰু এশপুৰা মাটিৰ লগতে তাম্ৰপত্ৰ প্ৰদান কৰিছিল। সৰ্থেবাৰীৰ ˚পুষ্পৰাম কঁহাৰে ১৮৯৪ চনত সৰ্থেবাৰী অঞ্চলৰ পানাগাঁও টুপত হোৱা "ৰাইজ মেল"ত সক্ৰিয় অংশ গ্ৰহণ কৰাৰ কাৰণে বৃটিছৰ বোযত পৰি জেল খাটিব লগা হৈছিল। জেলত থকা অৱস্থাতো তেওঁ নিজস্ব বৃত্তি কাঁহ কোবাইছিল। জেলত থাকিয়েই গঢ়া বাটি "জেল বাটি" নামেৰে নামাকৰণ কৰা হয়। ˚পুষ্পৰাম কঁহাৰৰ কাঁহশিল্পৰ নিপুণতাত মুগ্ধ হৈ নিৰ্দ্ধাৰিত সময়ৰ আগতেই বৃটিছ চৰকাৰে মুক্তি দিছিল। এই অঞ্চলত প্ৰচলিত লোকগীততো এই কথাৰ উল্লেখ আছে।

"পুষ্পে কঁহাৰ আইলোৰে,
জেল খাটি আইলোৰে,
জেলৰে ভিতৰত গঢ়ে বানবাটি
বানবাটি ভাল পাই,
পেট ভৰি ভাত দেই"।।

এই অঞ্চলৰ কঁহাৰ ˚হৰেশ্বৰ ডেকা আৰু শ্ৰীভগবান ডেকাই নিজৰ শিল্প-নিপুণতাৰ কাৰণে ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰে।

সৰ্থেবাৰীৰ কাঁহ-শিল্পৰ লগত বৌদ্ধ ধৰ্মাবলম্বী লোকসকলৰ বহু বছৰৰ আগৰ পৰা যোগাযোগ আছিল। যানবাহন নথকা অৱস্থাত ভূটীয়া বা তিৰ্বতীয় সকলে পৰ্বত-পাহাৰ, নৈ, নলা পাৰ হৈ আহি সৰ্থেবাৰীৰ পৰা বিভিন্ন গঢ়ৰ তাল গঢ়াই নিছিল, পূজা-উপাসনাৰ বাবে চিমিং, ভেৰী, ৰিমুং, পচাং প্ৰভৃতি বিভিন্ন ধৰণৰ কঁহাৰ তাল এতিয়াও সৰ্থেবাৰীৰ কঁহাৰৰ হতুৱাই গঢ়াই নিয়ে। নাম-কীৰ্তন ব্যৱহাৰ কৰা "ভোৰতাল" ভূটীয়াসকলে ব্যৱহাৰ কৰা তালৰ পৰা অহা বুলি কোৱা হয়।[৩]

**গঢ়শালি পৰিচালনা পদ্ধতি ঃ**

সাধাৰণতে একেলগে কেবাগৰাকী শিল্প কৰ্মীয়ে গঢ়শালি প্ৰতিষ্ঠা কৰে যদিও তেওঁলোকৰ কৰ্মৰ ভিন্নতা গঢ়শালিৰ ভিতৰত বাৰুকৈয়ে স্পষ্ট। অভিজ্ঞতা আৰু কুশলতাৰ ওপৰতে ভিত্তি কৰিয়েই তেওঁলোকৰ কৰ্ম নিয়ন্ত্ৰিত হয়। পাৰ্গতালি আৰু কষ্ট সহিষ্ণুতাৰ ওপৰত ভিত্তি কৰিয়েই তেওঁলোকৰ কৰ্ম বিভাজন হয়। পৰম্পৰাগতভাৱে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ

৩. তীৰ্থলোচন তামুলী: জনশিক্ষা - ১৯৮৩ চন (২য় সংখ্যা) "সৰ্থেবাৰীৰ কাঁহ শিল্প" পৃঃ৪০-৪১।

সঞ্চালিত যদিও কাঁহ শিল্প কোনো এক বিশেষ শ্ৰেণীৰ শিল্পকৰ্ম নহয় বা জাতিগত শিল্প বৃত্তি নহয়। সৰ্থেবাৰী অঞ্চলৰ জাতি-বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকেই এই শিল্পৰ লগত জড়িত, এইবাবেই কাঁহশিল্প সৰ্থেবাৰী অঞ্চলৰ কেৱল অৰ্থনৈতিক সচ্ছলতাৰ বাবেই নহয়; ই অঞ্চলটোৰ উমৈহতীয়া কৃষ্টিৰূপে পৰিগণিত। দলবদ্ধ আৰু সংঘবদ্ধভাবে পৰিশ্ৰম অনুযায়ী মৰ্যাদা অনুযায়ী গঢ়শালিত কাম কৰাটো এক নিয়মবিহীন নিয়ম হিচাবে পৰিগণিত। গঢ়শালিত কমেও ৮/১০ জন লোকৰ দলে একেলগে কাম কৰে। তত্ৰাচ তেওঁলোকৰ মাজত থকা মুখ্যজনৰ পৰিচালনাতেই গঢ়শালিৰ কাম নিয়াৰিকৈ চলে। গঢ়শালিৰ মুখ্য কঁহাৰজনক ওজা কঁহাৰ বুলি কোৱা হয় আৰু আনকেইজনক পালি কঁহাৰ কোৱা হয়। মুখ্য কঁহাৰজনে কাঁহৰ সামগ্ৰী তৈয়াৰ কৰাৰ ক্ষেত্ৰত নিজস্ব চিন্তা বুদ্ধিৰে অগ্ৰসৰ হয়, আৰু পালি কঁহাৰ সমূহে সেই সামগ্ৰীসমূহক আকৃতিগত আৰু প্ৰকৃতিগত ৰূপত দিয়াত সহায় কৰে। মুখ্য কঁহাৰৰ সহযোগী সকলক কৰ্মৰ ভাগ অনুযায়ী ভাইগা কঁহাৰ বুলিও কোৱা হয়। মুখ্য কঁহাৰজনে সহযোগী সকলক গঢ়শালিৰ কামৰ ভাগ-বতৰা কৰি দিয়ে। তেওঁলোকৰ কৰ্মৰ ধৰণো ভিন্ন ধৰণৰ। উদাহৰণস্বৰূপে জুইৰ এঙাৰ দি কাঁহ গলোৱা, নিয়াৰিৰ ওপৰত হাতুৰীৰে পিটা, কাঁহৰ বাচনৰ আকৃতিগত ৰূপ দিয়া, আৰু সামগ্ৰীসমূহ চাফা কৰা ইত্যাদি ভিন্ন ধৰণৰ কামৰ বাবে অভিজ্ঞতা অনুসৰি নিয়োগ কৰা হয়। সাধাৰণতে ওজা কঁহাৰজনৰ কাঁহৰ সামগ্ৰী তৈয়াৰ কৰাৰ কৌশলগত অভিজ্ঞতা আৰু ব্যৱসায়িক মানসিকতা থাকে। তেওঁৰ কৰ্মনৈপুণ্যৰ ওপৰতেই গঢ়শালিৰ লাভ-লোকচান নিৰ্ণিত হয়। গঢ়শালিৰ প্ৰয়োজন অনুসৰি কাৰিকৰী আৰু ব্যৱসায়িক দিশত পৰিচালনা কৰা সকলো ভাৰ ওজা কঁহাৰৰ ওপৰতেই নিৰ্ভৰশীল। আৰু যিকোনো ধৰণৰ সমস্যা আৰু বাধা নিয়ন্ত্ৰণ কৰাটো তেওঁৰ প্ৰয়োজনীয়।

## কাঁহ প্ৰস্তুতকৰণ প্ৰণালী

### কেঁচা সামগ্ৰী (Raw materials)

কাঁহ এবিধ ৰাসায়নিক মিশ্ৰ ধাতু। ৰাং (Zinc)। আৰু তাম (Copper) বেলেগে গলাই মিশ্ৰিত কৰা হয়। ইয়াৰ অনুপাত হ'ল ২০ঃ৮০। কাঁহ ধাতু প্ৰস্তুত কৰি বাচন তৈয়াৰ কৰিলে ব্যয়বহুল হোৱাৰ কাৰণে বৰ্তমান বাহিৰৰ পৰা অহা ভঙা কাঁহৰ পৰায়েই বাচন তৈয়াৰ কৰা হয়।

### তৈয়াৰ কৰা প্ৰণালী (Manufacturing process)

কাঁহৰ বাচন তৈয়াৰ কৰা ঘৰটো সাধাৰণতে গঢ়শালি বুলি কোৱা হয়। বাচন তৈয়াৰ কৰিবলৈ প্ৰথমতে ভঙা কাঁহখিনি আফৰৰ জুইত মুহিত লৈ গলাই লোৱা হয়। তাৰ পিচত গলিত ধাতুখিনি আঁকত ঢালি দিয়া হয়। ঠাণ্ডা হোৱাৰ পিচত টান হৈ পিঠাৰ আকৃতি লয়। এইবাৰ বাচন অনুযায়ী

ডাঙৰ সৰু আকৃতিৰ হয়। এইবোৰ জুইত তপতাই লৈ নিয়াৰিত থৈ হাতুৰীৰে তৈয়াৰ কৰিব লোৱা বাচনৰ গঢ় হোৱালৈকে কোবাই থাকে। মূল ওজা কঁহাৰজন সঁৰাৰে টানকৈ ধৰি লৈ ঘূৰাই থাকে আৰু বাকী কেইজনে এটা বিশেষ হাতুৰীলৈ কোবায়। ডাঙৰ হাতুৰীৰ চিনবোৰ আকৌ তাপ দি সৰু হাতুৰীৰে কোবাই মিহি কৰা হয়। ইয়াৰ পিচত পানীত কিছু সময় জুবুৰিয়াই ৰখা হয়। পিচত ওৰে ঘঁহি মিহি কৰাৰ লগতে চাফা কৰা হয়। ইয়াৰ পিচত আকৌ কুন্দাত দি গুণা টানি মিহি কৰা হয়। শেষত তাৰ ওপৰত ছেন্নাৰ সহায়ত ফুল, লতা, পাত আদি কটা হয়।

**কাঁহৰ সামগ্ৰী তৈয়াৰৰ সঁজুলি ঃ**

আধুনিক যুগৰ বৈজ্ঞানিক যন্ত্ৰপাতিৰ সহায় নোলোৱাকৈয়ে কঁহাৰসকলে পূৰ্বপুৰুষৰ নিচিনাকৈ একে পদ্ধতিৰে হাতেৰে তৈয়াৰী সঁজুলি ব্যৱহাৰ কৰি কাঁহৰ সামগ্ৰী সমূহ তৈয়াৰ কৰি আছে। কাঁহৰ সামগ্ৰী সমূহ তৈয়াৰ কৰোঁতে ব্যৱহাৰ হোৱা সঁজুলিখিনিক একেলগে গঢ়শাল বুলি কোৱা হয়। কঁহাৰসকলে গঢ়শালিত ব্যৱহাৰ কৰা সঁজুলি সমূহ হ'ল —

**(১) নিয়াৰি ঃ**

জুইত গলাই লোৱা কাঁহখিনি হাতুৰিৰে কোবাই বাচনৰ আকৃতিৰ ৰূপ দিবৰ কাৰণে ব্যৱহাৰ কৰা এডোখৰ ঘূৰণীয়া আকৃতিৰ লো। এখন শালত সৰু-ডাঙৰ তিনিটালৈকে নিয়াৰি থাকে। নিয়াৰিত গলোৱা কাঁহখিনি বহলাই লোৱাৰ উপৰিও বাচনবোৰ মিহি কৰা হয়।

**(২) হাতুৰী ঃ**

হাতুৰী এবিধ অতি আৱশ্যকীয় সঁজুলি। হাতুৰীৰ সহায়ত কাঁহখিনি কোবাই সামগ্ৰীসমূহৰ আকৃতিৰ গঢ় দিয়া হয়। কাঁহৰ বাচন অনুযায়ী সৰু-ডাঙৰ হাতুৰী ব্যৱহাৰ কৰা হয়।

**(৩) সঁৰাহ ঃ**

কাঁহ পিটি বহল কৰিবলৈ হ'লে এইবিধ সঁজুলিৰে চেপি ধৰা হয়। এইবিধ সঁজুলি লোৰে তৈয়াৰী।

**(৪) ঢেকা ঃ**

এমুৰে ভাঁজ থকা লোৰ নিয়াৰি। ভাঁজ থকা মূৰটোত লোটা, কলহ আদি ঘূৰণীয়া পাত্ৰসমূহৰ গঢ় দিয়া হয়।

**(৫) চাত্‌লি ঃ**

এবিধ লোৰ সঁজুলি। বটা, কাঁহী আদি তৈয়াৰ হোৱাৰ পিচত এইবিধ সঁজুলিৰে মিহি কৰা হয়।

**(৬) খন্তা ঃ**

বটালীৰ নিচিনা এবিধ লোৰ অস্ত্র। কাঁহৰ সামগ্রীসমূহ গঢ়াৰ পিচত ইয়াৰ সহায়ত পৰিষ্কাৰ কৰা হয়।

**(৭) আঁক ঃ**

মাটিৰে তৈয়াৰী এবিধ সাঁচ। ইয়াৰ মাজখিনিত ঘূৰণীয়া আকৃতিৰ খোল থাকে। জুইত গলোৱা কাঁহখিনি ইয়াৰ ওপৰত ঢালি দিয়া হয়।

**(৮) ছেনা ঃ**

বটালীৰ নিচিনা এবিধ সঁজুলি। কাঁহৰ সামগ্রী সমূহত ফুল কটা, মিহি কৰা আদি কামত ব্যৱহাৰ কৰা হয়।

**(৯) কুন্দা ঃ**

এবিধ কাঠেৰে তৈয়াৰী সঁজুলি। ইয়াৰ সহায়ত কাঁহৰ বাচনবোৰ ঘূৰাই ঘূৰাই কাটি মিহি কৰা হয়।

**(১০) পাক-ভৰ ঃ**

এইবিধ সঁজুলিৰে বাচনসমূহ বিন্ধা কৰা হয়। এইবিধ লোৰে তৈয়াৰী এবিধ আৱশ্যকীয় সঁজুলি।

**(১১) ভাতী ঃ**

ছাগলীৰ ছালেৰে নিৰ্মাণ কৰা হয়। ইয়াৰ সহায়ত কাঁহ গলাবলৈ ব্যৱহাৰ কৰা জুইত বতাহ দিয়া হয়।

**(১২) ৰেতি ঃ**

বাঁহৰ নাল লগোৱা চেপেতা লোৰ এবিধ সঁজুলি। ইয়াৰ সহায়ত কাঁহৰ সামগ্রীসমূহ ঘঁহি ঘঁহি কটা আৰু মিহি কৰা হয়।

**(১৩) লোৱাল ঃ**

লো আৰু তীখাৰে তৈয়াৰী এবিধ চোকা সঁজুলি। কাঁহৰ সামগ্ৰীসমূহ পৰিষ্কাৰ কৰাৰ কাৰণে ব্যৱহাৰ কৰা হয়।

**(১৪) মুহী ঃ**

এবিধ মাটিৰ পাত্ৰ। ভঙা কাঁহ জুইত গলাবলৈ এই পাত্ৰ ব্যৱহাৰ কৰা হয়।

**(১৫) আফৰ ঃ**

ইয়াৰ উপৰি এঙাৰ, পাএন (কাঁহৰ পাত্ৰ জাল দিয়া এবিধ মিশ্ৰ ধাতু) লাহ আদিও আৱশ্যক হয়।

## কাঁহৰ বিভিন্ন সামগ্ৰী

কঁহাৰসকলে সমাজৰ প্ৰয়োজনীয় প্ৰায় সকলো কাঁহৰ বস্তু গঢ়শালিত তৈয়াৰ কৰে যদিও সকলো কঁহাৰে আটাইবোৰ সামগ্ৰীত সমানে নিপুণতা দেখুৱাব নোৱাৰে। একোটা বিশেষ বিশেষ সামগ্ৰীতহে নিজৰ নিপুণতা দেখুৱাব পাৰে। কঁহাৰসকলে সাধাৰণতে তৈয়াৰ কৰা সামগ্ৰীসমূহ হ'ল —

**১। কাঁহী ঃ**

ওজন অনুযায়ী ডাঙৰ সৰু কাঁহী তৈয়াৰ কৰি নামকৰণ কৰা হয়। গঢ় অনুসৰি কাঁহীৰ শ্ৰেণীসমূহ হ'ল —

বানকাঁহী, জাতকাঁহী, মাইহাং কাঁহী আৰু পান-ধোৱা।

**২। বাটি ঃ** গঠন অনুসৰি বাটিৰ শ্ৰেণীসমূহ হ'ল —

বানবাটি, জেল বাটি, তেল বাটি আৰু হাতীখুজীয়া বাটি।

**৩। লোটা** - দীঘল ডিঙিৰে সৈতে এবিধ পানী খোৱা পাত্ৰ।

**৪। ঘটি** — চুটি কিন্তু বহল মুখ থকা এবিধ পানী খোৱা পাত্ৰ।

**৫। ডগডগী লোটা ঃ** সৰু দীঘল ডিঙিৰে এবিধ কাঁহৰ লোটা।

**৬। কলহ ঃ** পেট ডাঙৰ আৰু ডিঙি ঠেক, এবিধ পানী খোৱা পাত্ৰ।

**৭। চৰিয়া ঃ** বস্ত্ৰ ধুবলৈ ব্যৱহাৰ কৰা এবিধ পাত্ৰ।

**৮। বটা ঃ** তামোল পান আৰু নৈবেদ্য আদি সজাওতে ব্যৱহাৰ কৰা পাত্ৰ। বিভিন্ন শ্ৰেণীৰ বটাৰ ভিতৰত নাগফেটী বটা উৎকৃষ্ট।

৯। **শৰাই** ঃ ঈশ্বৰলৈ নৈবেদ্য আগবঢ়োৱা আৰু সন্মানিত ব্যক্তিক মান ধৰিবলৈ ব্যৱহাৰ কৰা ওখ ডাঙৰ বটা।

১০। **তাল** ঃ নাম-প্ৰসঙ্গত বজোৱা এবিধ কাঁহৰ চেপেটা ঘূৰণীয়া বাদ্য। গঠন অনুসৰি ভোৰতাল, পাতিতাল, খুটিতাল আদি কেইবাবিধৰো তাল তৈয়াৰ কৰা হয়।

১১। **ঘণ্টা** ঃ মঠ-মন্দিৰৰ উপৰি শিক্ষানুষ্ঠান আদি কাৰ্য্যালয়ত সময়ৰ সংকেত দিবলৈ ব্যৱহাৰ কৰা হয়।

১২। **গছা** ঃ মন্দিৰত চাকি জ্বলোৱাত সহায় কৰা হয়।

১৩। **ভোগজৰা** ঃ ৰজাসকলে ব্যৱহাৰ কৰা নলী লগোৱা দীঘল লোটা। ই এবিধ পানী থোৱা পাত্ৰ।

১৪। **গুৰগুৰী** ঃ দীঘল নলী লগোৱা এবিধ ধোৱা খোৱা।

ইয়াৰ উপৰি ফুলদানী, টেমী, কলচী, দাপনি, ঝাৰি, কৰচ আদি সামগ্ৰীও কহাঁৰসকলে তৈয়াৰ কৰি আহিছে।

## অসমীয়া সমাজ-সংস্কৃতিত কাঁহশিল্পৰ ভূমিকা

অসমীয়া সমাজ আৰু সংস্কৃতিত কাঁহ শিল্পৰ গুৰুত্বপূৰ্ণ ভূমিকা পৰিলক্ষিত হয়। সময়ৰ পৰিবৰ্তিত গতিত আৰু সামাজিক আৰু ধৰ্মীয় পৰম্পৰাৰ অৱক্ষয়িত স্ৰোতত কাঁহশিল্পই বৰ্ত্তমানেও গৌৰৱপূৰ্ণ স্থান অধিকাৰ কৰি আছে। কাঁহৰ সামগ্ৰীসমূহ কেৱল পবিত্ৰতাৰে প্ৰতীক নহয়, ইয়াৰ ধাতব্য গুণ আৰু ব্যৱহাৰিক প্ৰয়োগো লেখত ল'বলগীয়া। কাঁহৰ বাচন-বৰ্তন কেৱল এক বিশেষ প্ৰয়োজনতহে ব্যৱহৃত এনে নহয়, ইয়াৰ পাৰম্পৰিকতাই অসমীয়া লোকাভৰণ, ৰীতি-নীতি আৰু সামাজিক আচাৰকো স্বাভাৱিকতে গৌৰৱময় কৰি ৰাখিছে। অসমীয়া সমাজত বিভিন্ন ধৰ্মীয় ৰীতি-নীতি, সামাজিক উৎসৱ-পাৰ্বণ আৰু সাংস্কৃতিক কাৰ্যৰ সৈতে কাঁহৰ সামগ্ৰীসমূহ অপৰিহাৰ্য ৰূপতে বিজড়িত হৈ আছে। মাঙ্গলিক আচাৰ-অনুষ্ঠানত কাঁহৰ সামগ্ৰীৰ অপৰিহাৰ্যতা সৰ্বত্ৰতে স্বীকাৰ্য্য। এইফালৰ পৰা অসমৰ কাঁহশিল্প পৰম্পৰাগত মহত্তম পৰম্পৰা বুলি ক'লেও বোধহয় বঢ়াই কোৱা নহয়।

অসমৰ গৌৰৱময় আহোম ৰাজত্বৰ সময়ছোৱাত কাঁহশিল্পই ৰাজকীয় পৃষ্ঠপোষকতা লাভ কৰিছিল। কাঁহেৰে তৈয়াৰী ভোগজৰা, গুৰগুড়ী, আহোম ৰজাসকলৰ দৈনন্দিন ব্যৱহাৰ্য্য সামগ্ৰী আছিল। খাদ্য গ্ৰহণৰ বাবে কাঁহেৰে তৈয়াৰী বানকাঁহী অথবা মাইহাঙৰ ব্যৱহাৰ তেওঁলোকৰ

ৰাজকীয় চখৰ এক অপৰিহাৰ্য অঙ্গ আছিল। বহিৰ্শত্ৰুৰ আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ তেওঁলোকে ব্যৱহাৰ কৰিছিল কাঁহেৰে তৈয়াৰী বৰটোপ।

অতিথিপৰায়ণ অসমীয়া মানুহে মানুহক আদৰিবলৈ কাঁহেৰে নিৰ্মিত শৰাই আৰু বঁটা ব্যৱহাৰ কৰে। কাঁহৰ বঁটাত তামোল-পাণ দিয়া আৰু সম্ভ্ৰমজনক মান ধৰা অসমীয়া আভিজাত্যশীল সমাজখনৰ স্বাভাৱিক ৰূপ। কাঁহৰ কাঁহী, লোটা, বানবাটি, চৰিয়া ইত্যাদি খোৱা-পিয়াৰ ক্ষেত্ৰত ব্যৱহাৰ কৰাটো অসমীয়া মানুহৰ দৈনন্দিন নিয়ম। অসমীয়া বিয়া-সবাহ আদিত কাঁহৰ সামগ্ৰীৰ পয়োভৰ বাৰুকৈয়ে মনকৰিব লগীয়া। বিয়াৰ সময়ত কইনাক দিয়া সামগ্ৰী সমূহৰ অন্যতম আকৰ্ষণ হ'ল — কাঁহৰ সামগ্ৰীসমূহ। এই সামগ্ৰীসমূহে অৰ্থনৈতিক আৰু সাংস্কৃতিক দুই সম্ভ্ৰমকেই সূচায়। বিয়াৰ দিনাখন দৰা-কইনাই উভয়ে কাঁহৰ দাপনি লোৱাটো অসমীয়া সমাজৰ সামাজিক নিয়ম। বিয়াৰ পিচদিনা ৰাতিপুৱা দৰা-কইনাই কাঁহৰ বাচন স্পৰ্শ কৰি যোৱাটো এক সামাজিক নিয়ম।

অসমৰ ধৰ্মীয় পৰম্পৰাত কাঁহৰ সামগ্ৰীৰ ব্যৱহাৰ বাৰুকৈয়ে স্পষ্ট। বিশেষকৈ সত্ৰ, নামঘৰ আৰু মন্দিৰ সমূহত ব্যৱহৃত কাঁহৰ ঘন্টা, তাল, ডবা, কাঁহী, অৰ্ঘ্য ইত্যাদি কাঁহেৰে নিৰ্মিত। অসমীয়াসকলৰ বাহিৰেও টাই, নগা, মনিপুৰী, নেপালী, ভূটানী আৰু তিৰ্বতীয় সকলৰ মাজতো কাঁহেৰে তৈয়াৰী তাল আৰু ঘন্টাৰ ব্যৱহাৰ বিশেষভাবে মনকৰিবলগীয়া। অসমীয়া সমাজত আনকি এনেধৰণৰ জনবিশ্বাসো আছে যে খাদ্যবস্তু কাঁহৰ পাত্ৰত ব্যৱহাৰ কৰিলে বিভিন্ন ৰোগ নিৰাময় হয়।

## কঁহাৰৰ ব্যৱসায়িক দিশ আৰু অৰ্থনৈতিক সমস্যা ঃ

কাঁহশিল্প সৰ্থেবাৰী অঞ্চলৰ মূল জীৱিকা। এই ক্ষেত্ৰত কঁহাৰসকলৰ আৰ্থিক অৱস্থাও কাঁহ শিল্পৰ ব্যৱসায়িক দিশটোৰ লগত জড়িত। এসময়ত অসমৰ এই থলুৱা শিল্পটোৰ ব্যৱসায় বাহিৰৰ দেশলৈও প্ৰসাৰিত হৈছিল। কামৰূপৰ ৰজাই নেপাল, তিব্বত, ভূটান আদি দেশত কাঁহৰ সামগ্ৰী সমূহ ৰপ্তানি কৰি বৈদেশিক মুদ্ৰা অৰ্জন কৰিছিল। ইংৰাজসকল অসমলৈ অহাৰ আগতে কঁহাৰসকলেই অসমৰ বিভিন্ন ঠাইত গঢ়শালি পাতি নিজস্বভাবে সামগ্ৰীসমূহ তৈয়াৰ কৰি বিক্ৰী কৰিছিল। সেই সময়ত কঁহাৰসকলৰ আৰ্থিক অৱস্থাও সচ্ছল আছিল।

ইংৰাজসকল অহাৰ লগে লগে কল-কাৰখানাৰে ভৰি পৰিল। নানা-ধৰণৰ উদ্যোগ সমূহত যন্ত্ৰচালিত মেচিনৰ সহায়ত কম খৰচতেই ৰংচঙীয়া সামগ্ৰীৰ উৎপাদন হ'ল। ফলত এই থলুৱা কুটিৰ

শিল্পটো কিছু পৰিমাণে ম্লান হৈ পৰিল আৰু কঁহাৰসকলৰ অৱস্থাও শোচনীয় হৈ পৰে। কঁহাৰসকলৰ এই দুৰ্বলতাৰ সুযোগ লৈ কিছুমান বাহিৰৰ ব্যৱসায়ীয়ে কাঁহশিল্পৰ ব্যৱসায়টো তেওঁলোকৰ হাতলৈ নিলে। কঁহাৰসকলে অধিক শ্ৰম কৰি তৈয়াৰ কৰিলেও সামগ্ৰীসমূহৰ লাভৰ অংশ এই বাহিৰৰ ব্যৱসায়ীসকলেই ভোগ কৰিলে। কঁহাৰসকলক বিভিন্ন ধৰণেৰে শোষণ কৰাৰ ক্ষেত্ৰত প্ৰধানকৈ এইকেইটা দিশৰ কথা উল্লেখ কৰিব পাৰি ঃ

(১) মহাজনসকলে কঁহাৰক বাচন তৈয়াৰ কৰিব দিলে কেতিয়াবা নিৰ্দিষ্ট ওজনতকৈ বেছি কাঁহ সোমাই পৰে। এই অতিৰিক্ত কাঁহখিনিক "বাল্টি কাঁহ" বুলি কোৱা হয়। মহাজনসকলে এই বাল্টি কাঁহৰ মূল্য কঁহাৰক নিদিছিল। এইখিনি কঁহাৰসকলৰ হাতৰ পৰা গৈছিল।

(২) কঁহাৰসকলে সামগ্ৰীসমূহ তৈয়াৰ কৰোঁতে কিছু পৰিমাণৰ কাঁহ জুইত পুৰি নাইবা তৈয়াৰ কৰা বাচনবোৰ চাফা কৰোতে নষ্ট হৈ যায়। এই "মূল মৰা" কাঁহখিনিৰ দামটো কঁহাৰসকলৰ মজুৰিৰ পাৰ কাটি ৰখা হয়।

(৩) কঁহাৰ সকলে তৈয়াৰ কৰা সামগ্ৰীসমূহ মহাজনৰ ওচৰত দিবলৈ আহোঁতে মহাজনক মাননী দিয়াৰ নামত প্ৰতি মোন কাঁহত এটকাকৈ কঁহাৰসকলৰ পৰা কাটি ৰাখিছিল। ইয়াক "গাদী চট্‌কা" বুলি কোৱা হয়। মহাজনৰ এনেধৰণৰ শোষণৰ কাৰণে কঁহাৰসকলৰ আৰ্থিক অৱস্থা অতি শোচনীয় হৈ পৰে। আনহাতে মহাজনসকলে কঁহাৰসকলৰ শ্ৰমৰ দ্বাৰা উৎপাদিত সামগ্ৰীসমূহ বিক্ৰী কৰি যথেষ্ট টকা উপাৰ্জন কৰে। মহাজনসকলৰ এনেধৰণৰ শোষণৰ পৰা কঁহাৰসকলক মুক্ত কৰিবলৈ সৰ্থেবাৰীৰেই এজন সমাজকৰ্মী ঁকোহিৰাম দাসৰ চেষ্টাত ১৯৩৩ চনত "অসম সমবায় কঁহাৰ সংঘ" স্থাপিত হয়। কাঁহ শিল্পীসকলৰ দ্বাৰা পৰিচালিত এই সমবায় অনুষ্ঠানটোৱে কঁহাৰসকলৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিলে। এই সমবায় অনুষ্ঠানটোৱে কঁহাৰসকলক ভঙা কাঁহ, এঙাৰ আদি কেঁচামালৰ যোগান ধৰাৰ উপৰিও কঁহাৰসকলে তৈয়াৰ কৰা সামগ্ৰীসমূহ বিক্ৰীৰ ব্যৱস্থাও কৰিলে। "মূল মৰা" কাঁহৰ নামত প্ৰতি কিলোগ্ৰামত অতিৰিক্ত ৩০ গ্ৰামকৈ কাঁহ দিয়া হ'ল। বৰ্তমান সমবায় সংঘৰ উপৰিও কাঁহশিল্পৰ ব্যৱসায়িক দিশটো স্থানীয় ব্যক্তিগত মহাজনৰ লগতো জড়িত। এই মহাজনসকলে কেঁচামালৰ যোগান ধৰাৰ লগতে কঁহাৰসকলৰ তৈয়াৰী সামগ্ৰীসমূহো বিক্ৰীৰ ব্যৱস্থাও কৰে। সমবায় সংঘ স্থাপন হোৱাৰ ফলত কঁহাৰসকলৰ কিছুমান গুৰুতৰ সমস্যা আঁতৰিল যদিও অৰ্থনৈতিক দিশত কিছুমান নতুন সমস্যাই দেখা দিলে। মূলধনৰ অভাৱত কঁহাৰসকলে মহাজনৰ পৰা অধিক হাৰত সুত দি টকা ল'ব লগা হোৱাত আৰ্থিকভাবে অধিক শোচনীয় হৈ পৰে।

## কাঁহশিল্পৰ ভৱিষ্যৎ

কাঁহ শিল্পৰ প্রসাৰ সর্থেবাৰীতেই আৰম্ভ হৈছে যদিও ইয়াৰ বাবে প্রয়োজনীয় ধাতু ৰাং আৰু তাম কোন ঠাইৰ পৰা সৰবৰাহ কৰা হৈছে সেই সম্পর্কে কোনো তথ্য পোৱা নাযায় কিন্তু আৰম্ভণিৰে পৰাই কাঁহ শিল্পীসকলক কেঁচা সামগ্রী যোগান ধৰি অহা হৈছে। আনকি, বর্তমানেও সমবায় আৰু মধ্যভোগীসকলৰ দ্বাৰাই তেওঁলোকক কেঁচা সামগ্রী যোগান ধৰা হৈছে। কাঁহশিল্পত ব্যৱহৃত আন আন সামগ্রীসমূহৰ ভিতৰত অতি সাধাৰণ সামগ্রী হ'ল এঙাৰ। কিন্তু বর্তমান সময়ত এঙাৰো বজাৰত দুষ্প্রাপ্য হৈ পৰিছে। ইয়াৰ কাৰণ হ'ল এচাম প্রতিক্রিয়াশীল ব্যক্তিৰ দ্বাৰা বনজ সম্পদ লুণ্ঠন। আজিৰ পৰা তিনি-চাৰি দশক আগতে স্থানীয় লোকসকলে বননিৰ আওপুৰণি কাঠৰ পৰা প্রাপ্ত এঙাৰ শিল্পটোলৈ যোগান ধৰিছিল। কিন্তু বর্তমান বাহিৰৰ পৰা অহা বৃহৎ প্লাইউড শিল্প পাতি, কাকত শিল্পপতি আৰু দিয়াচলাই শিল্পপতিসকলে দুষ্ট ব্যৱসায়ীচক্রটোৰ সৈতে লগলাগি বনজ সম্পদসমূহ ধ্বংস কৰাৰ ফলতেই কাঁহৰ সামগ্রী তৈয়াৰ কৰিবৰ বাবে আটাইতকৈ প্রয়োজনীয় এঙাৰসমূহো বজাৰত অমোঘ হৈ পৰিছে। ফলস্বৰূপে এই কুটিৰশিল্পটোৰ ভৱিষ্যৎ অৱস্থান সন্দিহান হৈ পৰিছে।

তদুপৰি আন আন কুটিৰশিল্পৰ লেখীয়াকৈ শিল্পীসকলৰ শিল্পটোৰ প্রতি থকা অনীহাৰ মনোভাবেও কাঁহশিল্পৰ ভৱিষ্যৎ অন্ধকাৰ কৰি তুলিছে। অধিক কষ্টসাধ্য হোৱা বাবে ইয়াৰ প্রতি নতুন প্রজন্মৰো স্পৃহা কমি আহিছে। আনহাতে কেঁচা সামগ্রীৰাজিৰে যে অনাটন হৈছে এনে নহয়, কাৰিকৰী দিশত আধুনিকীকৰণৰ কোনো ব্যৱস্থা নথকা বাবে শিল্পটোৱে প্রসাৰ লাভ কৰিব নোৱৰাৰ আন এটি কাৰণ। একেদৰে কাঁহৰ সামগ্রী বিক্রীৰ কোনো নির্দিষ্ট বজাৰ নথকা বাবেও ইয়াৰ চাহিদা সম্পর্কত কোনোৱে কাণসাৰ নিদিয়ে। কাঁহৰ সামগ্রী ৰপ্তানীকৰণৰ চৰকাৰৰ তৰফৰ পৰা কোনো ব্যৱস্থা নথকা বাবে ৰাজ্যখনৰ ভিতৰতেই ই মৰোঁ-জীওঁ-সোঁ-অর্ধিকৈ বাচি আছে। এইক্ষেত্রত দুষ্ট ব্যৱসায়ী চক্রটো আৰু মধ্যভোগীসকলে স্থানীয় বজাৰসমূহ নিয়ন্ত্রণ কৰি আছে যাৰ ফলত কঁহাৰসকলে পৰিশ্রম অনুযায়ী কোনো মজুৰী নাপায়। কঁহাৰসকলে সামগ্রী গঢ়াৰ যিখিনি মজুৰী পায় সিও অতি নগন্য। উদাহৰণস্বৰূপে, এটি বান-বাটি গঢ়োতে পোৱা ১২০ টকা মজুৰী ৬/৭ জন ভাইগা কঁহাৰৰ মাজত ভগাই দিবলগীয়া হয়। উপযুক্ত মর্যাদা অবিহনে কঁহাৰসকলে জীৱন-নির্বাহ কৰাটো সম্ভৱ নহয় যাৰ ফলত শিল্পটোৰ অৱক্ষয় ঘটাটো স্বাভাৱিক। অতিমাত্রা হাতুৰী মৰাৰ কষ্ট আৰু প্রয়োজনীয় খাদ্যৰ অভাৱত অতি কম বয়সতে কঁহাৰে মৃত্যুবৰণ কৰিবলগীয়া হয়। সেইবাবে পিছৰ পুৰুষসকলৰ শিল্পটোৰ ব্যৱসায়ৰ প্রতি অনীহাৰ মনোভাৱ প্রকাশ কৰাটো তেনেই স্বাভাৱিক। তদুপৰি বর্তমান বজাৰত প্রাপ্ত

আৰু কাৰিকৰী দিশত সহজলভ্য নিত্য ব্যৱহাৰ্য অথচ কম মূল্যত আধুনিক সামগ্ৰীসমূহৰ চাহিদাইও কাঁহশিল্পৰ ভৱিষ্যৎ সন্দিহান কৰি তুলিছে। তত্ৰাচ ইমানবোৰ সমস্যাৰ সন্মুখীন হৈও আৰু প্ৰতিযোগিতাৰ বজাৰত থিয় হৈও সৰ্থেবাৰীৰ কঁহাৰসকলে পৰম্পৰাগতভাবে চলি অহা শিল্পটোক উজ্জীৱিত কৰি ৰাখিবলৈ যত্ন কৰি আহিছে। কিন্তু দেশৰ চৰকাৰী যন্ত্ৰটোৱে শিল্পটোৰ প্ৰতি যদি উপযুক্ত সঁহাৰি নজনায় তেনেহ'লে ইয়াৰ ভৱিষ্যৎ অৱস্থিতি· সম্পৰ্কে সন্দেহ জন্মাটোৱেই স্বাভাৱিক।

# চতুৰ্থ খণ্ড
# সৰ্থেবাৰী অঞ্চলৰ লোক সাহিত্য

কোনো এটা অঞ্চলৰ লোক-সংস্কৃতি অধ্যয়নৰ ক্ষেত্ৰত অঞ্চলটোৰ মৌখিক সাহিত্যৰ গুৰুত্ব অপৰিহাৰ্য্য হৈ পৰে। লোক জীৱনৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, বিশ্বাস আদি মৌখিক সাহিত্যৰ জৰিয়তে প্ৰকাশ পায়। পৰম্পৰাগত ভাৱে মুখে মুখে চলি অহা এই সাহিত্যত সমাজখনৰ স্বৰূপ প্ৰতিফলিত হয়। এই মৌখিক সাহিত্য বা লোক সাহিত্যত বক্তিগত ভাবৰ পৰিবৰ্তে সামূহিক ভাব ধাৰাহে প্ৰকাশ পায়। এই লোক সাহিত্য সমাজৰ উমৈহতীয়া সৃষ্টি, সমাজৰ সৰ্ব্বজনৰ ভাব, চিন্তা আৰু কল্পনাৰ মিলন তীৰ্থ, সমগ্ৰ সমাজৰ আনন্দ বিনোদনৰ কলাক্ষেত্ৰ। যুগ যুগ ধৰি জনসাধাৰণৰ মুখে মুখে লোক সাহিত্য চিৰন্তন আৰু চিৰজীৱি হৈ আছে।[১]

মৌখিক সাহিত্যক বুজাবলৈ অলিখিত সাহিত্য (Unwriting literature), জনপ্ৰিয় সাহিত্য (popular literature ), জন সাহিত্য (Folk literature), আদিম সাহিত্য (Primitive literature) আদি শব্দ প্ৰয়োগ কৰা হয়। উইলিয়াম ৰিছাৰ্ড বেচকমে মৌখিক সাহিত্য বুজাবলৈ "Verbal Art" (বাচিক কলা) শব্দটো হে ব্যৱহাৰ কৰিছে। সাহিত্য বুলি কলে ধ্বনি আৰু লিখিত ৰূপকহে বুজায়। কিন্তু লোক-সংস্কৃতি ইয়াৰ ব্যতিক্ৰম। মৌখিক সাহিত্য যিহেতু মুখে মুখে প্ৰচলিত সেয়েহে ৰূপ (form) আৰু সংযুতি (structure) ৰ ফালৰ পৰা বাচিক কলা (Verbal Art) বুলি ক'ব পৰা যায়। Verbal Art শব্দৰ ব্যৱহাৰে অলিখিত সাহিত্যৰ সৈতে থকা অসঙ্গতিখিনি নোহোৰা কৰাৰ লগতে লোক কথা, পুৰাবৃত্ত লোকোক্তি, সাথঁৰ আদি ৰূপৰ মাজত থকা পাৰ্থক্য খিনি দেখুৱায়। William Bascom ৰ ভাষাত "The concept of verbal art avoids all these difficulties and has the further advantage of emphasizing the essential features which distinguished the folktale, myth, proverbs and related forms"[২]

মৌখিক সাহিত্যৰ বিভিন্ন শ্ৰেণী সমুহ হ'ল –

ক) লোক গীত (Folk song)

খ) গদ্যধৰ্মী লোক কথা (Prose narratives)–

- ১) অতিকথা (Myth)
- ২) জনশ্ৰুতি (Legend)
- ৩) সাধু (Tale)

গ) প্ৰবচন, লোকোক্তি, যোজনা, পৰ্যন্তৰ (Proverb, saying, maxi)

ঘ) সাথঁৰ (Riddles)

ঙ) মন্ত্ৰ (Charm)

---

১. বিৰিঞ্চি কুমাৰ বৰুৱা ঃ অসমৰ লোক সংস্কৃতি পৃষ্ঠা ২৯

২. W.R. Bascom : Contributions to Folkoristic , P. 65

## ১) লোক গীত (Folk song) ঃ

লোকগীত লোক সাহিত্যৰ এটা উল্লেখযোগ্য দিশ। লোকগীতত লোকজীৱনৰ বিশ্বাস, আচাৰ, ৰীতি-নীতি, আবেগ-অনুভূতি আদিৰ ছবি প্ৰতিফলিত হয়। বিভিন্ন প্ৰসঙ্গত এই গীতসমূহ গোৱা হয়। সৰ্থেবাৰী অঞ্চল লোকগীতত চহকী। এই অঞ্চলৰ লোকগীত সমূহক বিষয় বস্তু অনুসৰি এনেদৰে শ্ৰেণী বিভাজন কৰিব পাৰি –

ক) জীৱন বৃত্তৰ লগত জড়িত গীত,
খ) উৎসৱৰ লগত জড়িত গীত,
গ) ভক্তিমূলক আৰু দাৰ্শনিক ভাবাপন্ন গীত,
ঘ) কৰ্ম বিষয়ক গীত,
ঙ) কাহিনী গীত।

### ক) জীৱনবৃত্তৰ লগত জড়িত গীত ঃ-

জন্মৰ পৰা মৃত্যুলৈকে মানুহৰ জীৱনটো কেইবাটাও স্তৰ অতিক্ৰম কৰিব লগা হয়। পৰিবৰ্ত্তন বিশেষ স্তৰত ধৰ্মীয় নীতিৰ দ্বাৰা সংস্কাৰ কৰা হয়। জীৱনৰ এই পৰিবৰ্ত্তন বা অতিক্ৰমণ কোনো এক স্তৰৰ অথবা কোনো এক বৃত্তিৰ পৰা আন এক বৃত্তিলৈ হব পাৰে।[৩] এই ক্ষেত্ৰত তোলনী বিয়া (ধুৱেনী) এটা উল্লেখযোগ্য অনুষ্ঠান। ছোৱালীৰ এই অনুষ্ঠানটো বিবাহৰ প্ৰথম পৰ্যায় । ছোৱালী পুষ্পিতা হ'লে তোলনী বিয়া (ধুৱেনী) পতা হয়। এই অনুষ্ঠানত গোৱা গীতক ধুৱেনীৰ গীত কোৱা হয়। বিভিন্ন নীতি নিয়মৰ দ্বাৰা অনুষ্ঠানটো পুষ্পিতা হোৱাৰ চাৰি দিনৰ দিনা পতা হয়। তৃতীয় দিনা মোমায়েকৰ ঘৰত নাইবা সম্পৰ্কীয় মানুহৰ ঘৰত জাপা থোৱাক জাননী বুলিও কয়। সেইদিনা ওচৰৰ ছোৱালী আৰু তিৰোতাবোৰে লগ লাগি জাপা থব যায়। যাওতে বাটত ৰং ধেমালী কৰি এনেদৰে গায় –

জাপা জৰি শ্ৰীহৰি যায় ৰঙ্গ কৰি হে ৰাম
গাজি অ — হাৰ গড়লো চেপেতা চেপেতী
মাদলি গড়লো গোটা হে
গাজি অ — ইস্কুলৰ কাষেদি পড়ে লৈ আহিলো
গাজি অ — চিঠি লেখবা পাৰা কৰি হে ৰাম
গাজি অ — খুৰে লই আহিছো আউলা পিঠা গুৰি
গালি অ — ধুৰে লই আহিছো হৰি হে ৰাম

---

৩. The life of an individual in any society is aseries of passage from one age to another from one occupation to another" - Arnold Van Gannep : The rites of passages, p. 2-3.

এনেদৰে গৈ জাপা থোৱা মানুহ ঘৰৰ পদুলিত গায় -- (জাপা বৰা সময়ত)

জাপা বৰ্বা আইচা কুনি অ'
জাপাচনেদ্‌বি হাত হে ৰাম ।।
জাপাৰ ভিতৰে লৈ আইচু
নাম জগন্নাথ ৰাম ।।
জাপাট নেন্‌বি টানি হে ৰাম
জাপাৰ ভিতৰে লৈ আইচু
নাম চক্ৰপাণি হে ৰাম

চোতালত জাপা থোৱাৰ পিছত এনেদৰে গায় --
বৰি আনি অ বেনু পাৰি দিলা ,
কায়েম ৰঙৰ পাতি বেনু বহিছি ৰাম কানু
কেহেনি গতিয়ে ও বেনু ডালিম ৰুই গৈছিলা
ডালিম লাগি আছে থোপে বেনু বহিছি ৰাম কানু
আজিয়ে নানিয়ে অ বেনু ঘৰকে আহিছে
ডালিম চিঙি দিয়া হাতে বেনু বহিছি ৰাম কানু

এনেদৰে গীত গাই তিৰোতা সকলে জাপাটো থৈ আকৌ ঘুৰি আহে। পিছদিনা সেই জাপাটো লৈ আকৌ সেই ঠাইৰ তিৰোতা সকলে গীত গাই আহি পুষ্পিতা হোৱা ছোৱালীজনীক ধুৱায়। ধুৱাবৰ সময়ত এনেদৰে গায়।

ঐ আৰে সোণাৰে বাটিতে মাহ হালধী
ঐ আৰে ৰূপাৰে বাটিতে তেল নাল
মাতে কি বচনে ৰোহিলা অ'
ঐ আৰে মেলকী মায়েকে মেলখন পাতিছি
তোকে কলৰ গুৰিত থৈ নাল
মাতে কি বচনে ৰোহিলো অ'

নতুন কাপোৰ পিন্ধাৰ পিচত চোতালত থয়। তাৰ পিছত আনাকাটা কাপোৰ পিন্ধি হাতত লতা লৈ তিনিবাৰ ঘুৰিব দিয়ে। সেই সময়ত গায় --

ঘুৰ্বি ঘুৰ্বি মাই ভালকে ঘুৰ্বি
আপা যদি কেৰা হয়
আমাক নোদোষ্‌বি ।

অসমীয়া সমাজত বিবাহ এটা অতি গুৰুত্ব পূৰ্ণ অনুষ্ঠান। বিভিন্ন ধৰ্মীয় আচাৰ পদ্ধতি এই অনুষ্ঠানৰ লগত জড়িত। বিবাহক ল'ৰা আৰু ছোৱালীৰ মাজৰ চুক্তি হিচাবে লোৱা হয়। বিবাহৰ আৰম্ভণি পৰ্বৰ পৰা শেষলৈকে বিভিন্ন সময়ত গোৱা বিয়াৰ গীতে বিয়া এখনৰ সুন্দৰ ছবি দাঙি ধৰে। "An Assamese marriage is amusical marriage. At every stage of the celebration from the early negosiations to the end, women sing appropriate songs" [8]

সৰ্থেবাৰী অঞ্চলৰ বিয়াৰ গীত যথেষ্ঠ চহকী। লোকসংস্কৃতিৰ ক্ষেত্ৰত এই গীতবোৰৰ তাৎপৰ্য্য আছে। বিয়াৰ তিনিদিন আগতে সান্দহ খুন্দা হয়। এই অনুষ্ঠানক "আউলা সান্দহ কুটা" বুলি কোৱা হয়। নতুনকৈ তিনিটা উধন যোগাৰ কৰা হয়। ঢেকীটোৰ লগতে উধন তিনিটাত সিন্দুৰৰ ফোঁট দি মহিলা সকলে উৰুলি (জকৰ) দি সান্দহ খুন্দিবলৈ আৰম্ভ কৰে। সান্দহ খুন্দিবলৈ ধৰোতে মহিলা সকলে গোৱা গীতবোৰ এনেধৰণৰ —

সৰু আখা, সৰু উধন
সৰু সৰু ধান
সৰু বৰৰ বিয়াক লাগি
কৰিছো যতন

---

এক্‌খলা কুটিলো দুইখলা কুটিলো
আৰু নো কেইখলা লাগে হে ৰাম
বাপুই উঠি বোলে হে ডাঙৰ বৌ
তিন্‌খলা কুটিব লাগে হে ৰাম

---

ঢেকী কৰে হেকাৰ বেকাৰ মইৰা বাৰী লৰে
আহাৰ ঘৰত চাইত্‌টা মৰদ ঢেকী পাতবা নৰে
নৰক্ নৰক্ ঢেকী পাত্‌বা কাযাৰ কৰি থো
বাৰীৰ পৰা গাছ কাটি ঢেকী পাতি লম।[৫]

সান্দহ খুন্দোতে সান্দহ ভজা তিৰোতাক কেন্দ্ৰ কৰি আৰু কইনাৰ বৌয়েকক কেন্দ্ৰ কৰি ধেমালী সুৰত এনেদৰে গায় —

সোণাৰে ঢেকীতে মই সান্দহ কুটিলো
অ' ৰাম ৰূপাৰে লগালো ঠুৰাও
অবয়স কালতে মাইৰ বিয়া পাতে
স ফৰা মুৰাৰে বিয়া হে

---

৪. P. Goswami : Folk literature of Assam p. 57.

৫. সংবাহক ধনদা ডেকা তামুলী, সৰ্থেবাৰী।

---

ইও বোলে সিও বোলে কইনাৰ বৌয়েক কতহে?
কইনাৰ বৌয়েক ঘুমে আছে
অ' লাৰু মুখত লৈহে

---

সান্দাহ ভাইজ্‌টিৰ হাতত আছে
মুঠি ভৰা খাৰু
গইৰা পাৰাত চেলকী আহে
ভাজা মাছৰ চৰু ।[৬]

বিয়াৰ এদিন আগত সুৱাগৰ ধান বন্ধা হয়। সেইদিনাও মহিলা সকলে গীত গাই অনুষ্ঠানটো শেষ কৰে। গীতবোৰ এনেধৰণৰ –

সীতা অ বিয়া বিয়া বুলি মায়ে ধান বান্ধে
অ হৰিহে বস্তাতে ভখুৰি যায়হে
সীতা অ অভাগ্যৰ কপালত বিয়া নামি নাহে
অ হৰিহে তাৰিখ লৰি যায় হে[৭]

ধান বান্ধোতে জাৰি ছালি দিয়া গৰাকীক কেন্দ্ৰ কৰি গায় –

কুলি অ ঘুৰ্ ঘুইৰা চালনী ঘুৰ ঘুইৰা
ঘুৰ ঘুইৰা সহস্ৰ বাতি
আগতে বহিছি চালি জাৰি দিছি
কোন ডাঙৰীয়াৰ বেটি হে ৰাম।[৮]

**ফোট দিয়া বা কইনা সোধা ঃ**

এই অনুষ্ঠানত দৰা ঘৰৰ পৰা কেইজনীমান তিৰোতা লগ লাগি কইনা ঘৰলৈ তামোল পান, নাৰিকল, তেল, সিন্দুৰ আদি বিভিন্ন বস্তু লগত লৈ যায়। কইনাক শিৰত সিন্দুৰ দিয়াৰ লগতে ফোট দিয়া হয়। এই প্ৰসঙ্গতে এনেদৰে গোৱা হয়–

---

৬. সংবাহক ধনদা ডেকা তামুলী, সৰ্থেবাৰী।
৭. —— —— ——
৮. —— —— ——

মায়েথেৰ অলঙ্কাৰ থোৱা
দ্বাৰাকাৰ কৃষ্ণই অলঙ্কাৰ পঠাইছে
হাত জোৰ কৰি লোৱা
আগে দিবা শিৰৰ সিন্দুৰ
পাচে দিবা তেল
লাহে লাহে পিন্ধাই যাবা
সৰ্ব অলঙ্কাৰ ।[৯]

**তেলৰ ভাৰ ঃ**

বিয়াৰ আগদিনা দৰাঘৰৰ পৰা মতা মানুহ কেইজন মানে কইনাৰ ঘৰলৈ তেলৰ ভাৰ লৈ যায়। তেলৰভাৰত কইনাৰ সাজ পোচাক, তেল পাতনি (বিয়াৰ দিনা গা ধুৱাৰ আগলৈকে পিন্ধা কাপোৰ), গহনা, আৰ্চি ফনি, ঘনুচা, তেল-সিন্দুৰ, শোলমাৰাৰ চাকি, অকাৰী চাউল, কল, নাৰিকল, থোক তামোল, পান, মাছ, গাখীৰ, পচলা, লাডু আদি নিয়া হয়। তেলৰ ভাৰ অহাৰ সময়ত এনেধৰণৰ গীত গোৱা হয়—

ৰাম ৰাম আগৰ খন ভাৰতে
ৰাম ৰাম কি কি আনিছ
ৰাম ৰাম ভাৰেলী ঘৰতে থোৱা হে
ৰাম ৰাম মাজৰ খন ভাৰতে
ৰাম ৰাম কি কি আনিছ
ৰাম ৰাম সুদা নাৰিকলৰ লাডুহে
ৰাম ৰাম শেষৰ খন ভাৰতে
ৰাম ৰাম কি কি আনিছ
ৰাম ৰাম সমাজৰ মাজতে থোৱা হে ।[১০]

**পানী তোলা ঃ**

বিয়াৰ দিনাখন ৰাতিপুৱা মহিলা সকলে লগ লাগি ওচৰৰ ৰাজহুৱা নাদ ( কুৱা) নাইবা নদীত পানী তুলিবলৈ যায়। সেই তুলি অনা পানী পৱিত্ৰ বুলি লোৱা হয়। সেই পানীৰে দৰা কন্যাক গা ধুওৱা হয়। পানী তুলিবলৈ যাওতে এখন কাহঁৰ কাঁহীত এগছি চাকি, চাউলৰ গুৰি, কল, তামোল, পান এযোৰ, পইচা, কটাৰী নিয়া হয়। কেইটামান কলহত সিন্দুৰৰ ফোট দি লোৱা হয়। যাবলৈ ওলাওতে উৰুলি দি গায়—

অইলে আনা তামৰ কলহ
ভাঙা ফুটা চাও
বাপুৰে (মাইৰে) বিবাহৰ পানী
তুলিবাকে যাও ।।

---

৯. সংবাহক ধনদা ডেকা তামুলী, সৰ্থেবাৰী।
১০. —— —— ——

পানী তোলাৰ সময়ত দৰা (কইনা) ৰ মাকক কেন্দ্ৰ কৰি গায় —

দৈৰকী অ কটাৰী ধৰিবা টানি
অ' মুঠি টান কৰি তুলি আনিবা
নিৰ্মল কুৰাৰে পানী।

---

হাতে সুবৰ্ণৰ জৰী
(আমাৰ মহেশ্বৰী)
পানী তোলে ৰঙ্গ কৰি।
পানী তুলি ৰাধে উলটি নাচাবা
সাগৰে পৰিব ঢলি।

পানী তুলি উভটি আহি বিয়া ঘৰ সোমাওতে গায় —

দুৱাৰ মেলা কাঠৰ হেঙাৰ বাৰী
আনিছো গঙ্গাৰ জল নিয়া আগ কৰি,
চালে পানী দিয়া, নিয়মে সোমাবা,
মণ্ডল চাই কলছি থবা।

শালা পাটা —

ঘৰৰ পিছৰ এৰা, শালা বইট্‌বা ওলে আইছি
আকইনা পেৰা
থাপাৰে হাল মাৰি ধৰা

শ্ৰাদ্ধৰ গীত —

দুপৰীয়াা শ্ৰাদ্ধৰ সময়ত সাত পুৰুষক স্মৰণ কৰি সেৱা জনায়। সেই সময়ত এনেদৰে গায়-

কুকুৰা কুকুৰা ৰাঙলী কুকুৰা
লুইতৰ বালিতে চৰে
আতেকৰ দিনৰে ফুলাম দলিচা
তাতে বহি শ্ৰাদ্ধ কৰে
পূৱ পশ্চিম উত্তৰ দক্ষিণ কিহৰ দুৱাৰ
তাতে বহি চাধ্য কৰে ৰাজাৰ কুৱাৰ
বাপুথেৰ ঘৰৰ পিছৰ গেন্ধে ফুলৰ শাৰী
দো খাই পৰিছি হালি
আজুলি আজুলি ফুলক দৈলহ
আহে সাত পুৰুষ নামি।[১১]

---

১১. সংবাহক ঃ তিলোত্তমা ডেকা , সৰ্থেবাৰী

শ্ৰাদ্ধৰ পিচত নাপিতৰ দ্বাৰাই দৰা কইনাৰ নখ কটা হয়। ইয়াক নখ কমোৰা বুলি কোৰা হয়। নামতী সকলে এই সময়ত বেজ (নাপিত)ক লৈ এনেদৰে গীত গায় —

আহা এ হে ইল্ কলৰ দিল্
বেজ্ঞে খাই আইছি ঘৈণেকৰ কিল্ হে
আমি হতি হইবা আইছি মিল্।

---

বেজটো আহিছে লেপাটকৈ বহিছে
ধাৰা দি পিৰা দি কৰে
বেজৰে নাকতে বৰলে
আই ঐ বাপা ঐ কৰে হে

---

দৰা কইনাক গা ধুওৱাৰ সময়ত মাকক উদ্দেশ্য কৰি গোৱা গীত —

সোণাৰে বাতিতে মাহ ও হালধি
ৰূপাৰে বাতিতে তেল
আথে বেথে কৰি দৈৱকী সুন্দৰী
কৃষ্ণক ধুৱাব গেল
আকাশৰে পৰা ডিমা ভাঙি দেই
আহে জলধাৰি বই,
সেই জলধাৰ বাপুক ধোৱা হয়।
যজ্ঞু কলৰ পুলি বাপু আছে ধৰি
মায়েকে ধোৰব বুলি
মায়েকে ধোৱা হয় ফিমুলে (চৰাই)হাইওলে
খুইৰেকে থাকা হয় চাই
কায়ম চৰে বাপু চিলন কৰে

---

কাঁহীত কৰি আন্‌ছি মায়ে অ' পিতলৰে কাকে
কলৰ গুৰিত আহা বোপাই ধুৱাবাকে লাগে।[১২]

ছোৱালী বিয়া দিবৰ হ'লে মাকে সাধাৰণতে কাপোৰ বুই কাপোৰ যোগাৰ কৰি ৰাখে। কইনা ধোৱাৰ পিছত কাপোৰ সলাওতে এনেদৰে গায় —

মাইৰে কাপোৰত বিলাতী ৰং,
খুজি আনা বুলি কচ্ছিলি খং।

---

১২. সংবাহক ঃ শুভেবালা পাঠক , বাউলী ।

খুজিতো আনা নাই ঘৰতে আছে,
বোৱনী মায়েৰাই বুই থৈছি আগে।

---

আল্‌পাৰ সিপাৰে কাঁহি বুন গজিছি ও
তাৰে মাজে মাজে লতা বিহামপুৰ,
মায়েকৰ মনজুৰ।
মাইকে লাগিহে চাদৰ বুই থইছি ও
সুদা চিঙনীয়া দাৰ বিহামপুৰ
মায়েকৰ মনজুৰ।

দৰা কইনাক গা ধুওৱাৰ পিছত মাকে লগৰ তিৰোতা সকলৰ লগত সুৱাগ জাৰিবলৈ ওচৰৰ নদীলৈ যায়। এই সুৱাগ জৰা অনুষ্ঠানটো প্ৰজননৰ প্ৰতীক। এই অনুষ্ঠানত কিছুমান অশ্লীল গীত গায়। গীতবোৰ এনেধৰণৰ —

ঔ পৰে ঢাপাৰ ঢুপাৰ ঐ প্ৰাণ বিদেশী ও
অ কেইটা লাগে লৌ শিৰ সন্যাসীও
বৰৰ মাকৰ কেইটা ভাতাৰ ঐ প্ৰাণ বিদেশী ও
অ' আমাৰ আগত ক' প্ৰাণ বিদেশী ও

---

কাৰ ঘৰৰ এইৰা চাপৰি জলত নামিলা
পানী পাই এইৰা চাপৰি ভবৰি উঠিলা

---

দেউল বান্ধা আটি উটি
ধৰম ৰজাৰ মাটি
ধৰম ৰজাই নেদে মাটি
চলে গুৱাহাটী
গুৱাহাটীৰ গুৱামুৰি বজাৰৰ পান
কীৰ্ত্তণীয়াই কীৰ্ত্তন কৰে মাধৱদেৱৰ থান

সুৱাগ জাৰি আহিবৰ সময়ত এনেদৰে গায় —
সুৱাগ জাৰি ঋষেঁ, পাচ ফালে নাচাবা
সাগৰে আহিব ঢলি হে
আই যমুনা কাৰুনি কৰিছে
মইও যাও লগতে বলি হে [১৩]

---

১৩. সংবাহক ঃ পদ্মা বৰ্মন, লছিমা।

---

খচ্‌কে আহা ৰাধা ৰাণী
ঘইৰালে নিব টানি
নিয়ক নিয়ক ঘইৰালে টানি
গাৱক চিঙা পাম আমি
নিচ্‌লা মাছে লাগাল পাই
ঠহ্ ঠহ্ কৰে ফেলৱো খাই
টুৰি মাছে লাগাল পাই
ভিতাৰ সুৰকি যাই।[১৪]

খ) উৎসৱৰ লগত জড়িত গীত ঃ-

উৎসৱৰ লগত গীত আৰু নৃত্য জড়িত সৰ্থেবাৰী অঞ্চলৰ উৎসৱৰ লগত জড়িত গীতৰ ভিতৰত পাউৰা সৰিৰ গীত উল্লেখযোগ্য। বহাগ বিহুৰ সাত দিনৰ দিনা অনুষ্ঠিত এই উৎসৱত গাৱৰ ডেকা ল'ৰাবোৰে দীঘল বাঁহবোৰ আনি ৰং বিৰঙৰ কাপোৰ মেৰিয়াই মুকলি ঠাইত থিয় কৰায়। পাউৰাৰ তলত আয়তি সকলে এনেদৰে গায় —

অত দিনে গহে আছিলা বাহৰে মাজত
গইৰ্‌খা চলি লাগাল পাই উঠিলা কান্ধত

---

পাৰুৱা পাৰুৱা
সমাতোকৈ চাৰুৱা
নপৰিবা হালি
তোমাকে তোলা গৰখীয়া চলি
তিয়হৰ জালি।[১৫]

সৰ্থেবাৰী গাঁৱখনৰ অন্তৰ্গত চুপা (চুবুৰী) বোৰৰ পৰা পাউৰা সজাই আনা হয়। তেতিয়া এটা দলে আনটো দলক উপলক্ষ্য কৰি ধেমালি কৈ গায় —

আতাথেৰ পাৰুৱা তাল্লাথেৰ পাৰুৱা
হে হৰি তামুলীথেৰ পাৰুৱা কৈ
তামুলীথেৰ পাৰুৱা আহিব লাগিছে
হে হৰি আউলা পিঠাগুৰি খাই।

---

১৪. সংবাহক ঃ চম্পা বৰ্মন, গোমূৰা।
১৫. ------ ঃ প্ৰতিমা তামুলী, সৰ্থেবাৰী।

আকৌ এনেদৰে গায় --

শাইলাথেৰ পাৰুৱা সবাতোকৈ চাৰুৱা
বহতাথেৰ পাৰুৱা চাপৰ হে ৰাম।

পাউৰাক ৰং বিৰঙৰ কাপোৰ পিন্ধোৱাৰ ক্ষেত্ৰত এনেদৰে গায় --

দ্বাৰ্কা নাই ঘৰে দ্বাৰ্কা নাই ঘৰে
দ্বাৰ্কা আনি দিলা বৰপেটা বাজাৰে
পিন্ধৰে পাৰুৱা দেউহে।

সাতবিহুৰ দিনাখন পাউৰা তোলা অনুষ্ঠানটোক পাউৰা সৰি উৎসৱ কোৱা হয়।

**সাত শাক তোলা গীত ঃ**

সৰ্থেবাৰী অঞ্চলত বহাগ মাহৰ সাত বিহুৰ দিনা ছোৱালীবোৰে লগ লাগি একোটা দল হৈ ছালনী লৈ পথাৰত সাত শাক তুলিবলৈ যায়। আগদিনাখন হাতত জেতুকা লয়। শাক তুলিবলৈ যাওতে এনেদৰে গায়--

সাত শাকৰ কি কি নাও
অ গুঞ্জৰে ভোমোৰা পাৰ্ব্বতী নাও
হে সাত শাক তুলিবা যাও

তিৰোতা সকলে ৰং তামাচাৰে এনেদৰে গায় --

আহা এ পিতলৰ টৌ
সাত শাক তোল্‌বা ওলে আইছি
কোন জনী বৌ হে
হাওলেটোত বিয়া দি থও।

বেলেগ বেলেগ কৈ অহা দলবোৰৰ মাজত ধেমালিৰ ছলেৰে কাজিয়া কৰে। এটা দলে আনটো দলক খেদি গৈ গায় --

বাহৰ পাত চক্‌মক্‌,
জক যদি ভাল্‌কে জক্‌
আট্‌চা বাৰু ভয় নকৰো
লাগা যদি লাগ্‌বা পাৰো
বাহৰ পাত চিকিমিকি
আমাৰ লগত লাগ্‌বি নেকি
আহা আমি লাগি দিও
হাৰি জিকি ঘৰক যাও [১৬]

১৬. সংবাহক ঃ নিৰু মেধি, কাৰাকুছি।

---

ভাৰবোৰা বাঙ্কা
আতাথেৰ জীয় কেইটাৰ
নিতে উঠে ডাঙ্কা
ভাৰ বোৰা বাঙ্কা ·

---

ধান খেৰৰ ছাই
আমি আইছো সাত শাক তোল্‌বা
যুজন্তা নাথি।

**নাও খেলৰ গীত ঃ**

অতীতত্ত্ব সৰ্থেবাৰী অঞ্চলৰ চাৰিওফালে নদী আৰু তাভা বিল, কাপলা বিল আদিৰে পৰিপূৰ্ণ আছিল। নদীবোৰত নাওখেলৰ উৎসৱ হৈছিল। খেলৰ নাও কিছুমান সাজি লৈছিল। সৰ্থেবাৰীৰ আল্পা নদীৰ কবৈ গুৰি কুৰত আৰু তামুলীচুপাৰ পশ্চিমফালৰ ঘাটত হৈছিল। সৰ্থেবাৰীৰ আশে পাশে থকা কাপ্লা বিল, আমৃখোৰা, নসত্ৰৰ সুভন কুৰত নাওখেল হৈছিল। জন্মাষ্টমী তিথি, হৰিদেৱৰ জন্মোৎসৱ, শঙ্কৰদেৱৰ তিথি আদি উপলক্ষে নাওখেল অনুষ্ঠিত হৈছিল। নাওখেলৰ পাঠক থাকে। পাঠক সকলে নাম গায় —

কলীয়া মেকুৰী
নাও যায় ফেকুৰী
বৈঠা যায় জকুৰী মাৰী হে
বিপ্ৰৰে ঔৰযে কলীয়া মেকুৰী
বেশ্যাৰে গৰ্ভতে কলীয়া মেকুৰী
দশভূজা –
ইটো অজামিলে কলীয়া মেকুৰী
মৰিবৰ বেলা কলীয়া মেকুৰী
পুত্ৰৰ নাম ধৰিয়া গৈলা কলীয়া মেকুৰী[১৭]

---

নাও আহি ঘাট পালে পাঠকে গায় –

ঘাটু নাও চপাই দিয়া ও বনমালী
আমি একো নাজানো অবুজ ছৱালো
হে ৰাম জয় হৰি –

নাওখেলৰ গীতত বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ পৰিলক্ষিত হয়।

---

১৭. সংবাহক ঃ গিৰি দাস, বনিয়াকুছি।

**দৌল উৎসৱৰ গীত ঃ**

সৰ্থেবাৰী অঞ্চলত তিনিদিনীয়াকৈ দৌল উৎসৱ পালন কৰা হয়। প্ৰথম দিনা গোসাই উলিওৱা উৎসৱত ৰাতি গোসাই ঘৰ আৰু দৌলৰ থলীত এক উৎসৱ মুখৰ পৰিবেশৰ সৃষ্টি হয়। খোল-তাল, ডবা-কাঁহ আদি বজাই চাৰিওফালে ৰজন জনাই তোলে। মতা মানুহ সকলে নাম গায়। সেই সময়ত নামতীসকলে গীত গায়—

জয় থিয়নাম ধৰে
জয় ছয়কুৰি ভকতে
জয় বহা নাম ধৰে গোপী
জয় গোসাই ঘৰৰ পৰা
জয় গোসাই নামি আহে
জয় নামৰে মহিমা দেখি।

এনেদৰে মনিকূটৰ পৰা গোসাইক নাম গাই চোঁৱৰেৰে বাঁও দি আদৰি অনা হয়। দৌলৰ চোতালত ফট্‌কা হিলৈ অদিৰ শব্দৰে মুখৰিত হৈ উঠে। নামতি সকলে নাম গায়। এনেদৰে গোসাইক সাতবাৰ ঘূৰাই দৌলৰ বেদীত থাপনা কৰা হয়। পিচদিনা দৌল পূৰ্ণিমা। দৌল গোবিন্দৰ পূজা, ভাগৱত পাঠ আৰু হোম পোৰা হয়। দৌল উৎসৱৰ শেষৰ দিনা সঁৰি উৎসৱ। সঁৰি উৎসৱৰ দিনা আৱেলি গোসাইক লৈ মহা সমাৰোহেৰে সুৰেৰী পথাৰলৈ লৈ যোৱা হয়। সৰ্থেবাৰী অঞ্চলৰ নামশলা, গোমূৰা, কাৰাকুছি আদি গাওঁৰ পৰাও দৌলৰ গোসাই লৈ সেই ঠাইত থোৱা হয়। গোসাইৰ পিচে পিচে নাম গাই, ঢোল-তাল বজায়। সুৰেৰী পথাৰত ডেকা সকলে ফাকু খেলে। তিৰোতা সকলে গীত গায়।

গ) ভক্তি মূলক গীত ঃ-

সৰ্থেবাৰী অঞ্চলত দূৰ্গাপূজাৰ ঠাইত দেৱী পূজাহে কৰা হয়। দূৰ্গাপূজাৰ নৱমীৰ দিনা ছোৱালীবোৰে লগ লাগি দেৱী পূজা কৰে। ইয়াত ব্ৰাহ্মণ, পুৰোহিত নাথাকে। সাৰু মাটিৰ মূৰ্ত্তি সাজি নাইবা কলপুলি সজাই পূজা কৰে। দেৱী পূজা ছোৱালীবোৰৰ এটা ৰং ৰহইচৰ উৎসৱ। পূজাৰ আগদিনা পুৱতি নিশা ছোৱালীবোৰে লগ হৈ ফুল তুলিবলৈ যায়। ফুল তুলিব যাওতে গোৱা গীতবোৰ এনেধৰণৰ —

আমি আইছো ফুল তুল্‌বা
সকল গোপীক লৈ
নামি আহা দেৱী আই
ফুলৰ কঠি লৈ

দেৱী পূজাত ছোৱালীবোৰে একেদিনাই কাপোৰৰ দহিৰে (কাপোৰ বোৱাৰ পিচত আগত ৰোৱা সূতা) বোৱাৰ ফুলৰ কানি (কাপোৰ) দেৱীৰ গাত দিয়ে। দেৱী পূজাৰ দিনা ৰাতি গীত মাতেৰে ৰজন-জনাই তোলে। মহিলে সকলে গায় --

আই মোৰ হৰি হৰি বিধি
আই মোৰ নকৰিবা সিধি
আই মোৰ মোহোৰ মনৰ বাঞ্চিত
---------------------------
আই মোৰ ইটো মিছা বাপ
আই মোৰ যেনে ঢৰা সাপ
আই মোৰ নাহিকে মনত তাপ
আই মোৰ দুখে কৰি মই
আই মোৰ পালিলা পাৰ্ব্বতি আই
আই মোৰ সুমৰন্তে মোৰ
আই মোৰ শোকে প্ৰাণ ফুটি যায়।

দেৱী পূজাত লৌকিক গীত মাতেৰে পূজা কৰা হয়। বেলেগ বেলেগ গোট হৈ কৰাদেৱী পূজাত এটা দলে আনটো দলক কেন্দ্ৰ কৰি গায় --

আমাৰ দেৱী বহি আছে
ওমলে জুমলে ৰাম
তাহাৰ দেৱী বহি আছে
ফুইট্ খাৰৰ টেকেলী হে ৰাম
পকা পানৰ ঢাকা লাগি
কেচা পান সৰে হে ৰাম
আমাৰ দেৱীৰ ঢাকা লাগি
তাহাৰ দেৱী পৰে হে ৰাম
আমাৰ দেৱী তামোল খাই
সোণাৰ বাটা ভৰি হে ৰাম
তাহাৰ দেৱী তামোল খাই
ফুটা লাক্‌ৰা কৰি হে ৰাম।[১৮]

---

১৮. সংগ্ৰাহক ঃ ভাগ্যেশ্বৰী ডেকা, সৰ্থেবাৰী।

**প্ৰবচন ঃ**

বাপজনমত নাই গাই,
চাঙ্‌লি লই দুবা যাই।

———

কৰ্‌বা নৱাৰ বৰ কথা ,
খাবা নৱাৰ বৰ হাথা ।

———

হাপাই আন্‌লাক তিৰী,
বোন্দাই হল ওপাত্‌তে গিৰি '

———

হউ হউ কৰে জেহাহুৰ পাল,
হাল খতি যায় বতৰ কাল ।

———

আদাই গৰম মাৰে গাজা মেল্‌বা
পুঠি গৰম মাৰে কিয়া হবা।

———

এক ভইদাই লাৰে চাৰে,
দুই ভইদাই তুলি আফলাই,
তিনি ভইদা যাৰ, সনাৰ নাঙাল তাৰ।

———

এক আছিল বুঢ়া-বুঢ়ী,
বাটত বান্‌লাক ঘৰ ,
হিৰ হিৰ কৰি বৰষুণ আহিল,
বুঢ়া বুঢ়ী লৰ ।

———

ঢেকীৰ কাম যমদূত
পানী আনা পৰম সুখ
আইৰ মাইৰ দেখি মুখ।

———

হৰকানা বৰকানা,
হে পৰভু থেক্‌চি আনা।

———

ওপাত্‌তে মাতাৰ বাটত ঘৰ।
যাওতে লাথ্‌খি আহতে চৰ ।।[১৯]

১৯. সংবাহক ঃ ৰমেশ বৰ্মন. পল্লা

ধৰ্‌বা লাগে গাইৰ বাতত,
ধৰে হাউলাৰ বাতত।

------

"শাকৰ চিক ণ লহলহতী
মাছৰ চিকণ মোৱা,
তিৰিৰ চিকণ দাতকলীয়া
পুৰুষৰ চিকণ ৰণুৱা।"

(সংগ্ৰহ - তাম্ৰতুপা জল্‌তি )

**সাঁথৰ ঃ**

মামাথেৰ কলী গাই,
এক পিয়েন দি মৰি যাই । ( কলগছ )

------

দুইৰো যাই দুইৰো যাই
বগা নাৰী অলে যাই । ( ৰেজ্ৰী-সুতা )

------

মামাথেৰ বাৰীক গেলো
ফুল দেখি চমক খালো
ফুলক লেগি মেলিলো হাত
ফুল গেল ওঠৰ হাত ( জ্ৰোনাকী পৰুৱা)

------

পেট আছে পেটা নাই
গল আছে জিভা নাই (ঘড়ি )

------

বৰ সাপখৰ যাই,
চিন চাপ একো নাই । ( নওঁ )

------

অত ডুম ডুম ত'ত ডুম ডুম
ঢেইকা লতা লৰে চৰে
ব্ৰহ্মপুত্ৰত জুই লাগিছে
কোনোই নুমবা নৰে । ( ব'দ )

------

সৰুতে কাপোৰ পিন্ধে
ডাঙৰত লাংটা হয়। ( ৰহ গছ )

------

মামাথেৰ বাৰীত গেলো
ঘুৰি ঘুৰি লাংটা হলো।  ( চেৰেকী )

---

নদীৰ পাৰৰ গছ্ডেল ভৰি ভৰি লাগে
ছা-চলি খাবা নৰি সেক্টা সেক্টি কৰে।  ( জলকীয়া )

---

একচোপ বেন্না ঘন ঘন গাঠি
মাজ সাগৰত ফেলে দিলো মইৰাৰ পাখি।  ( আঙৰা, জাল )

---

মামাথেৰ কলী গাই,
ঘাটে ঘাটে পানী খাই ।  ( বৰশী )

---

এক দেলি খেৰে,
বৰ ঘৰটো বেৰে ।  ( চাকি )

---

তপ তপকৈ পৰে, বৰষুণো নহয়
পকী থাকে জামও নহয়
মানুহ গৰু জাপে খাই
বাঘো নহয় ।  ( মহ )

---

শিলৰ দৰে তল যাই, কপাহৰ দৰে ভাহে,
বাঘৰ দৰে জাপ মাৰে, মেকুৰীৰ দৰে বহে।  (ভেকুলী )

---

শিল্লাশিল্লি পাত
তাতো নাখায় ভাত
বেজ বেইতা গুটি
আঞ্জা খাবাৰ জুতি।  (অমিতা )

---

কাচাতে তাল তুল, পকিলে গৰম
জুনি কবা নৰে, দুই গালে চৰম।  ( মাটিৰ বাচন )

---

উইচিঙৰাই তোলে মাটি
সাত ভায়েকৰ এখেন কটি ।[২০]  (সিকা )

---

২০. সংবাহক ঃ খগেন পাঠক, আমৃখোৰা ।

# মোখনি

অসমৰ বৰ্ত্তমান বৰপেটা জিলাৰ অন্তৰ্গত সৰ্থেবাৰী এখন ঐতিহ্যপূৰ্ণ ঠাই। সৰ্থেবাৰী গাঁওখনক কেন্দ্ৰ কৰি ওচৰৰ ঠাইসমূহকলৈ গোটেই অঞ্চলৰ এক সুকীয়া বৈশিষ্ট্য আছে। কাঁহ শিল্পৰ পৰম্পৰা আৰু লোক-সমাজৰ জীৱনধাৰাৰ লগত জড়িত উৎসৱ-পাৰ্বণ আদিয়ে অঞ্চলটোৰ সাংস্কৃতিক-ঐতিহ্য বহন কৰি আহিছে। "সৰ্থেবাৰী অঞ্চলৰ লোক-সাংস্কৃতিক অধ্যয়ন" — এই সম্পৰ্কত চাৰিটা খণ্ডত কিছু আভাস দাঙি ধৰা হৈছে। ইয়াৰ জৰিয়তে অঞ্চলটোৰ পৰম্পৰাগত জীৱনধাৰা স্পষ্ট ৰূপত দেখুৱাবলৈ চেষ্টা কৰা হৈছে।

সৰ্থেবাৰী বিশেষভাৱে কাঁহ শিল্পৰ কাৰণেই বিখ্যাত। এই শিল্পটো পূৰ্ব পুৰুষৰ পৰা একেধৰণেই চলি আহিছে। কাঁহ শিল্পৰ পৰম্পৰা, কাঁহৰ সামগ্ৰী তৈয়াৰ কৰা পদ্ধতি, সামগ্ৰীসমূহ তৈয়াৰ কৰোতে ব্যৱহাৰ কৰা সঁজুলি, কাঁহ শিল্পৰ ব্যৱসায়িক দিশ আদি তৃতীয় খণ্ডত উল্লেখ কৰা হৈছে। সৰ্থেবাৰীৰ কঁহাৰ সকলেই কাঁহী-বাটিৰ উপৰিও উৎসৱ অনুষ্ঠান, পূজা-পাৰ্বণ, বিয়া-সবাহ, নাম-কীৰ্ত্তন আদি সকলো ক্ষেত্ৰতে ব্যৱহাৰ্য সামগ্ৰীসমূহৰ যোগান ধৰি আহিছে। এসময়ত আহোম ৰজাসকলে কাঁহ শিল্পক যথেষ্ট সমাদৰ কৰিছিল। সময়ৰ পৰিবৰ্ত্তনৰ লগে লগে বৰ্ত্তমানে কাঁহৰ বস্তুৰ আদৰ কিছু কমি আহিছে। এই ক্ষেত্ৰত কাঁহৰ মূল্য বৃদ্ধি, মূলধন আৰু কেঁচামালৰ অভাৱ, বাহিৰৰ পৰা অহা উদ্যোগত তৈয়াৰী সস্তীয়া ৰং-চঙীয়া বস্তুৰ প্ৰতি মানুহৰ আগ্ৰহ আদিয়েই মূল কাৰণ। এই সমস্যাসমূহ আঁতৰ কৰি চৰকাৰে কিছু সহযোগ আগবঢ়ালে এসময়ৰ ঐতিহ্যপূৰ্ণ এই কুটিৰ শিল্পটো বৰ্ত্তি থাকিব।

সৰ্থেবাৰী অঞ্চলত অনুষ্ঠিত উৎসৱ সমূহৰ ভিতৰত অতি পুৰণি স্থানীয় উৎসৱ হ'ল "সৰ্থেবাৰীৰ সভা।" প্ৰতি বছৰে মাঘী পূৰ্ণিমাত এই সভাখন পাচদিন জুৰি অনুষ্ঠিত হয়। সভাখন হোম-যজ্ঞ, ভাগৱত পাঠ, নাম-কীৰ্ত্তন আদিৰে মুখৰিত হৈ পৰে। ইয়াত মহাপুৰুষীয়া, দামোদৰদেৱী আৰু হৰিদেৱ সম্প্ৰদায়ৰ সু-সমন্বয় দেখা যায়। চাৰিওফালে থকা সত্ৰৰ প্ৰভাৱতেই অঞ্চলটোৰ লোক-ধৰ্মও বৈষ্ণৱ ধৰ্মৰ ভেঁটিতেই গঢ় লৈছে। অঞ্চলটোৰ উৎসৱ অনুষ্ঠানত নাম-ধৰ্মৰ প্ৰাধান্যই বেছি।

কোনো এক অঞ্চলৰ লোক-সংস্কৃতি অধ্যয়নৰ ক্ষেত্ৰত অঞ্চলটোৰ লোক-সাহিত্যসমূহ অতি গুৰুত্বপূৰ্ণ। লোক-সাহিত্য লোক-সমাজৰ দাপোন স্বৰূপ। ইয়াত লোক সমাজৰ সুখ-দুখ, আশা-

আকাঙ্খা, চিন্তা-ভাবনাৰ প্ৰতিফলন ঘটে।[১] সৰ্থেবাৰী অঞ্চলত প্ৰচলিত লোকগীত, সাধুকথা, ফকৰা-যোজনা, প্ৰবাদ-প্ৰবচন, সাৰ্থৰ আদিত অঞ্চলটোৰ লোক-জীৱনৰ স্বৰূপ প্ৰকাশ পাইছে। বিভিন্ন আচাৰ-অনুষ্ঠান আদিৰ লগত জড়িত লোকগীত সমূহ চতুৰ্থ খণ্ডত উল্লেখ কৰা হৈছে। এইবোৰ আলোচনা কৰিলে বহুতো নতুন নতুন তথ্য ওলাব। পুৰণি সাঁথৰ, সাধু, প্ৰবাদ আদিৰ বাহক সকল প্ৰায় নোহোৱা হ'ল। এই মৌখিক সাহিত্যসমূহ সংৰক্ষণ কৰি ৰখাটো প্ৰয়োজন হৈ পৰিছে। কিয়নো আমাৰ সামাজিক-সাংস্কৃতিক ইতিহাস বৰ্ত্তমানেও পুনৰ্গঠন প্ৰক্ৰিয়াতে সীমাবদ্ধ হৈ আছে। অসমৰ প্ৰতিটো অঞ্চলৰ জীৱনধাৰা আৰু সংস্কৃতিৰ পুঙ্খানুপুঙ্খ অধ্যয়ন আৰু গৱেষণাৰে আঞ্চলিক ইতিহাস এতিয়াও সম্পূৰ্ণ হৈ উঠা নাই। অথচ আঞ্চলিক ইতিহাস সম্পূৰ্ণ নহ'লে অসমৰ সমাজ-সংস্কৃতিৰ সামাজিক ইতিহাসো অসম্পূৰ্ণ হৈ থকাৰ সম্ভাৱনা থাকিব। তদুপৰি অসমৰ সমাজ-সংস্কৃতিৰ ইতিহাসৰ অসম্পূৰ্ণতাই অসমীয়া জাতীয়ত্বৰ ইতিহাসো বাস্তৱসন্মত ৰূপত পৰিগৃহীত নকৰাটোৱেই স্বাভাৱিক। উক্ত দৃষ্টিকোণৰ পৰাই সৰ্থেবাৰী অঞ্চলৰ সমাজ আৰু লোক-সাংস্কৃতিক অধ্যয়নৰ বিশেষ গুৰুত্ব আছে বুলি ভবাৰ থল আছে।

অৱশ্যে আমাৰ এই অধ্যয়ন কোনোক্ষেত্ৰতেই সম্পূৰ্ণ নহয়; বৰঞ্চ আংশিকহে। উক্ত অঞ্চলৰ গৱেষণাৰ বাবে প্ৰচুৰ সমল আছে যি সীমাৱদ্ধ সময়ৰ ভিতৰত উদ্ঘাটন কৰাটো সম্ভৱ নহয়। কেৱল আমাৰ এই নিঃকিন অধ্যয়নৰ পৰা উত্তৰসূৰী গৱেষকসকলে কিছু পৰিমাণে উপকৃত হৈ পৰৱৰ্তী গৱেষণা কাৰ্যত অগ্ৰসৰ হ'ব পাৰিলেই আমাৰ শ্ৰমৰ সাৰ্থকতা থাকিব বুলি ভবাৰ থল আছে।

---

১. মানস মজুমদাৰঃ "লোক সাহিত্য পাঠ" – পৃঃ ৬১।

# গ্ৰন্থপঞ্জী

## অসমীয়া ঃ


গগৈ, লীলা ঃ *অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা,* ষ্টুডেণ্ট এম্পোৰিয়াম, দ্বিতীয় সংস্কৰণ, ১৯৮৪।

———— ঃ *অসমৰ সংস্কৃতি, প্ৰথম সংস্কৰণ,* ১৯৮৬, বীণা লাইব্ৰেৰী, গুৱাহাটী।

গোস্বামী, প্ৰফুল্লদত্ত ঃ *অসমীয়া জন-সাহিত্য,* বাণী প্ৰকাশ, পাঠশালা, চতুৰ্থ সংস্কৰণ, ১৯৮৬।

চলিহা, প্ৰদীপ ঃ *পুৰণি অসমৰ কাৰিকৰী শিল্প,* অসম বিজ্ঞান সমিতি, ১৯৯৮।

দত্ত, বীৰেন্দ্ৰনাথ ঃ *ব্যক্তি, সংস্কৃতি ইত্যাদি,* গ্ৰন্থপীঠ, গুৱাহাটী, ১৯৮৫।

দত্ত, দণ্ডীৰাম ঃ *সাঁথৰ, ফকৰা, যোজনা,* ১৯৭৩, নিউ বুক ষ্টল, গুৱাহাটী।

বৰ্মন, শিৱনাথ ঃ *লোককৃষ্টিৰ উৎস,* অসম প্ৰকাশন পৰিষদ, প্ৰথম প্ৰকাশ, ১৯৮২।

বৰুৱা, অতুলচন্দ্ৰ ঃ *অসমীয়া লোক-সাহিত্য,* অসম বুক ডিপো, ১৯৮১।

বৰুৱা, বিৰিঞ্চি কুমাৰ ঃ *অসমৰ লোক-সংস্কৃতি,* দ্বিতীয় প্ৰকাশ, ১৯৬৭।

ভৰালী, শৈলেন ঃ *অসমীয়া লোকনাট্য পৰম্পৰা,* বাণী প্ৰকাশ, পাঠশালা, ১৯৮৪।

ভট্টাচাৰ্য্য, প্ৰমোদ চন্দ্ৰ ঃ *লোক উৎসৱ, জাৰ্ণাল এম্পৰিয়াম,* দ্বিতীয় সংস্কৰণ, নলবাৰী, ১৯৯১।

ৰাভা, মলিনা দেৱী ঃ *অসমীয়া আৰু ৰাভা সমাজ সংস্কৃতিৰ স্বৰূপ,* M.F.L. প্ৰকাশ, ধূপধৰা, ১৯৯৯।

শৰ্মা, নবীনচন্দ্ৰ : *অসমীয়া লোক সংস্কৃতিৰ আভাস,* বাণী প্ৰকাশ, ১৯৮৯।

———— (সম্পাদিত) : *ডাক প্ৰবচন,* ১৯৮৭, বাণী প্ৰকাশ, পাঠশালা।

হাজৰিকা, অতুলচন্দ্ৰ (সম্পাদিত) : *উছৱৰ বংচৰা* - চিলং, ১৯৬৩।


## বাংলা ঃ


ভট্টাচাৰ্য্য, আশুতোষ (অনুবাদ) : *বাংলার লোক-সংস্কৃতি,* ন্যাশনাল বুক ট্রাষ্ট, নিউ দিল্লী।

———— : *বাংলার লোক-সাহিত্য* (১ম-৫ম খণ্ড ১৩৮০) (বাংলা), কলিকতা।

মুখোপাধ্যায়, সুনীত কুমার : *মেলা ও উৎসবের দর্পণে বাংলার লোকসাহিত্য,* সুবর্ণা ভট্টাচাৰ্য্য, রম্যানি, কলকাতা, ১৯৯৭।


## ইংৰাজী ঃ


Barua, B.K. : *Early History of Kamrup*, Shillong, 1933

———— : *Cultural History of Assam,* Lawyer's Book Stall, Guwahati, 1966

Choudhury, P.C. : *The History of Civilization of the people of Assam*, Ed. 2nd, Gauhati-22.

Dutta, Birendra, Sarma, Nabin Ch. Das, Prabin Ch. : *A Handbook of Folklore Material of North East India*, ABILAC, 1994.

Das, Jogesh : *Folklore of Assam,* National Book Trust, India, New Delhi, 1972.

Dorson, Richard M. (ed) : *Folklore of Folklife*, The University of Chicago, 1972.

Dutta, Birendra Nath : *A Study of the Folk-culture of the Goalpara Region of Assam,* University Publication Deptt., Gauhati University, 1995.

Gait, Edward : *A History of Assam,* Calcutta, 1926, 1963.

| | | |
|---|---|---|
| Goswami, Praphulladatta | : | *Folk-Literature of Assam*, Govt. of Assam in the Department of History and Antiquarian studies, Guwahati. |
| ______________ | : | *Ballads and tales of Assam* (A study of the folklore of Assam) Department of Publication, University, Gauhati, 1960. |
| ______________ | : | *Festivals of Assam,* Anandaram Barooah Institute of Language Art and Culture, Assam, 1995. |
| Gupta, Sankar | : | *Folklore and Folklife in India* |
| Gennep, Arnold Van | : | *The Rights Passage* |
| Handoo, Jawaharlal | : | *Current trends in Folklore,* University of Mysore, 1978. |
| Leach, Maria (ed.) | : | *Standard Dictionary of Folklore,* Mythology and Legend, New York, 1984. |
| Srivastava, Sahablal | : | *Folk-Culture and Oral Tradition,* Abhinava Publication, New Delhi, 1974. |
| Sarma, Nabin Chandra | : | *Essays on the Folklore of the North Eastern* |

<u>সংবাদদাতা সকলৰ নাম</u> ঃ

| | | |
|---|---|---|
| ১। শ্ৰী সৰ্বানন্দ ডেকা | (৮২ বছৰ) | সৰ্থেবাৰী |
| ২। শ্ৰী ভাগ্যেশ্বৰী ডেকা | (৬৫ বছৰ) | সৰ্থেবাৰী |
| ৩। শ্ৰী আহুতি ডেকা | (৭১ বছৰ) | সৰ্থেবাৰী |
| ৪। শ্ৰী প্ৰতিমা তামুলী | (৬৮ বছৰ) | সৰ্থেবাৰী |
| ৫। শ্ৰী তিলোত্তমা ডেকা | (৫২ বছৰ) | সৰ্থেবাৰী |
| ৬। শ্ৰী কুঞ্জ ভূঞা | (৫৮ বছৰ) | নামশলা |
| ৭। শ্ৰী অপে বৰ্মন | (৭৫ বছৰ) | সৰ্থেবাৰী |
| ৮। শুভেবালা পাঠক | (৭০ বছৰ) | ৰাউলী |
| ৯। শ্ৰী খগেন পাঠক | (৬০ বছৰ) | আমৃখোৱা |
| ১০। শ্ৰী চম্পা বৰ্মন | (৭৫ বছৰ) | গোমূৰা |
| ১১। শ্ৰী নিৰু মেধি | (৬০ বছৰ) | কাৰাকুছি |
| ১২। শ্ৰী পদ্মা বৰ্মন | (৫০ বছৰ) | লছিমা |
| ১৩। গিৰি দাস | (৫৫ বছৰ) | বনিয়াকুছি |
| ১৪। ৰমেশ বৰ্মন | (৬০ বছৰ) | পল্লা |
| ১৫। গনেশ চন্দ্ৰ গোস্বামী | ৫০ বছৰ) | পল্লা সত্ৰ |
| ১৬. ধনদা (ডেকা) তামুলী | (৪৮ বছৰ) | সৰ্থেবাৰী |